সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩৫ সংখ্যা, ১১ ভাদ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 35 Date Of Publication -28 August 2022 Rs.10.00/-

## ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ওপৰত বক্তব্য প্ৰকাশ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ চৰকাৰী বিদ্যালয় সমূহত কি মাধ্যমত পাঠদান হ'ব তাক লৈ চলি থকা বিতৰ্কৰ মাজতে বিষয়টো সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- একাধিক দল-সংগঠনৰ পৰিয়ালৰ সন্তানে ১০০ শতাংশই ইংৰাজী মাধ্যমত পঢ়িছে। চৰকাৰে ৮০ শতাংশ অসমীয়া মাধ্যমত পঢ়ুৱাইছে। আমি মাত্ৰ দুটা বিষয় ইংৰাজী মাধ্যমত কৰিব বিচাৰিছোঁ।ছাত্ৰ-ছাত্ৰীসকলে গণিত আৰু বিজ্ঞান বিষয় দুটা এতিয়াও আধা ইংৰাজী আৰু আধা অসমীয়াত পঢ়ি আছে। আনহাতে অসমীয়া মাধ্যমৰ প্ৰতি অভিভাৱকসকলৰ মোহ ভংগ ঘটা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় - অসমীয়া মাধ্যমৰ বিদ্যালয়ত নতুনত্ব নানিলে এটা বা দুটা বিষয় ইংৰাজীত পঢ়ুৱালে নহ'ব। বিদ্যালয়সমূহত নতুন বিষয় পাঠ্যক্ৰম নানিলে মাতৃভাষাৰ বিদ্যালয়সমূহ বন্ধ হৈ যাব। বিষয়টোক লৈ বিতৰ্কৰ সৃষ্টি কৰিলে পাঁচ বছৰৰ পাছত অসমীয়া মাধ্যমৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী নাথাকিব বই। উজনি অসমৰ বিদ্যালয়ত এতিয়া ছাত্ৰ-ছাত্ৰী নায়েই। কেৱল নামনি অসমৰ সংখ্যালঘু অঞ্চলতহে অসমীয়া মাধ্যমৰ বিদ্যালয় বৰ্তি আছে। ইয়াৰ কাৰণ ব্যাখ্যা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে

(দহ পৃষ্ঠাত চাওক)

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিশ্বৰ আটাইতকৈ জনপ্ৰিয় নেতা



ৰঙিলী বাৰ্ত্তাসেৱা- আমেৰিকা যুক্তৰাষ্ট্ৰৰ গৱেষণা প্ৰতিষ্ঠান মৰ্ণিং কনছাল্টৰ শেহতীয়া জৰীপত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বিশ্বৰ আটাইতকৈ জনপ্ৰিয় নেতা হিচাপে স্থান দিয়া হৈছে, যিয়ে প্ৰতিখন দেশৰ নাগৰিকৰ ওপৰত জৰীপ কৰিছিল। মৰ্ণিং কনছাল্টৰ সমীক্ষা মতে ৭৫ শতাংশ ভাৰতীয় নাগৰিকে বিশ্বাস কৰে যে প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনক সঠিক দিশে আগবঢ়াই নি আছে আৰু ক'ভিড-১৯ৰ সময়ত তেওঁৰ নেতৃত্বক গ্ৰহণ কৰা পদক্ষেপক দেশৰ ৭৫ শতাংশ নাগৰিকে

## কংগ্ৰেছ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী গোলাম নবী আজাদৰ কংগ্ৰেছ দলত্যাগ




ৰঙিলী বাৰ্ত্তাসেৱা- কংগ্ৰেছ নেতা গোলাম নবী আজাদে শীৰ্ষ নেতৃত্বৰ বিৰুদ্ধে ক্ষোভ উজাৰি কংগ্ৰেছ দল ত্যাগ কৰে। জম্মু-কাশ্মীৰৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী গোলাম নবী আজাদে জম্মু-কাশ্মীৰৰ নিৰ্বাচন আৰু ৰাজনৈতিক পৰিক্ৰমা কমিটীৰ পৰা পদত্যাগ কৰাৰ কেইদিনমান পাছতে তেওঁ দলটোৰ পৰাও আনুষ্ঠানিকভাৱে পদত্যাগ কৰে। কংগ্ৰেছৰ সৈতে ৫০ বছৰীয়া সম্পৰ্ক ছেদ কৰি দলটোৰ অন্তৰ্বৰ্তীকালীন সভানেত্ৰী ছোনিয়া গান্ধীলৈ প্ৰেৰণ কৰা ৫ পৃষ্ঠাৰ পদত্যাগ-পত্ৰত জ্যেষ্ঠ কংগ্ৰেছ নেতা গোলাম নবী আজাদৰ ক্ষোভ শব্দই শব্দই প্ৰতিফলিত হৈছে।কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা গান্ধী পৰিয়ালৰ সদস্য ৰাহুল গান্ধীক কঠোৰ সমালোচনা কৰি পদত্যাগ-পত্ৰৰ ৫ পৃষ্ঠাত পদত্যাগী জ্যেষ্ঠ নেতা আজাদে ৰাহুল গান্ধীৰ বিৰুদ্ধে কেইবাটাও বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে। ৰাজ্যসভাত কংগ্ৰেছৰ প্ৰাক্তন দলপতি, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, গান্ধী পৰিয়ালৰ ঘনিষ্ঠ হিচাপে চৰ্চিত গোলাম নবী আজাদৰ পদত্যাগে কংগ্ৰেছ দলত মোক্ষম আঘাত হানিলে। কংগ্ৰেছৰ অন্তৰ্বৰ্তীকালীন সভানেত্ৰী ছোনিয়া গান্ধী আৰু তেওঁৰ পুত্ৰ তথা শীৰ্ষ নেতা ৰাহুল গান্ধী দেশৰ বাহিৰত থকাৰ সময়তে গোলাম নবী আজাদে ৫ পৃষ্ঠাজোৰা পদত্যাগ-পত্ৰ ছোনিয়া গান্ধীলৈ প্ৰেৰণ কৰি ৰাহুল গান্ধীক কঠোৰ ভাষাৰে সমালোচনা কৰে। ৰাহুল গান্ধীয়ে অপৰিপক্ক সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে দলটো ধ্বংসৰ গৰাহত পৰা বুলি অভিযোগ কৰি আজাদে কয় যে কংগ্ৰেছে 'ভাৰত জোৰো যাত্ৰা' আৰম্ভ কৰাৰ পূৰ্বে 'কংগ্ৰেছ জোৰো যাত্ৰা' আৰম্ভ কৰাহে উচিত। দলটোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত ৰাহুল গান্ধীৰ দেহৰক্ষী আৰু ব্যক্তিগত সহায়কেও নিৰ্ণয় কৰে বুলি ক্ষোভ উজাৰে গোলাম নবী আজাদে। ৫ পৃষ্ঠাৰ পদত্যাগ-পত্ৰত ৰাহুল গান্ধী আৰু দল সন্দৰ্ভত আজাদে আক্ৰমণাত্মক হৈ উল্লেখ কৰিছে যে দুৰ্ভাগ্যবশতঃ ২০১৩ চনৰ জানুৱাৰীত ৰাজনীতিত পদাৰ্পণ কৰা ৰাহুল গান্ধীক দলটোৰ উপ-সভাপতি হিচাপে নিযুক্তি দিয়া হৈছিল। তেতিয়াৰে পৰা ৰাহুল গান্ধীয়ে দলটোৰ সমগ্ৰ পৰামৰ্শমূলক পদ্ধতিটোক ধ্বংস কৰিবলৈ ধৰে। সকলো জ্যেষ্ঠ নেতা আৰু অভিজ্ঞ নেতাক অনভিজ্ঞ সহযোগীৰে দলটোৰ সিদ্ধান্ত গ্ৰহণত একাষৰীয়া কৰিবলৈ লয়। আন এক গুৰুতৰ অভিযোগ মতে, চৰকাৰৰ অধ্যাদেশ সংবাদ মাধ্যমৰ আগত ফালি ৰাহুল গান্ধীয়ে দেখুওৱা ৰাজনৈতিক অপৰিপক্কতাৰ এক উদাহৰণ। ৰাহুল গান্ধীৰ এই শিশুসুলভ আচৰণে ভাৰত চৰকাৰৰ মৰ্যাদাক অৱনমিত কৰাই নহয়, ২০১৪ চনৰ লোকসভা নিৰ্বাচনতো ইউ পি এ পৰাজয়ৰ সন্মুখীন হৈছিল। পদত্যাগ-পত্ৰত ৰাহুল গান্ধীক আক্ৰমণ কৰি গোলাম নবী আজাদে কয়- আপোনাৰ নেতৃত্বত ২০১৪ চনৰ পৰা কংগ্ৰেছ দলে একেৰাহে দুটা লোকসভা নিৰ্বাচনত অতি শোচনীয়ভাৱে পৰাজিত হৈছে। ২০১৪ৰ পৰা ২০২২ চনলৈকে ৪৯ বিধানসভা নিৰ্বাচনৰ ভিতৰত ৩৯ বিধানসভাত পৰাজিত হৈছে। দলটোৱে কেৱল ৪ বিধানসভা নিৰ্বাচনত জয়ী হৈছে আৰু ৬খন ৰাজ্যৰ সন্মিলিত চৰকাৰৰ সহযোগী হৈছে। দুৰ্ভাগ্যবশতঃ কংগ্ৰেছে মাত্ৰ দুখন ৰাজ্যত শাসন কৰি আছে আৰু দুখন ৰাজ্যত অতি কমসংখ্যক আসনেৰে সন্মিলিত চৰকাৰত আছে। তদুপৰি ২০১৯ চনৰ নিৰ্বাচনৰ পৰাই দলৰ স্থিতি অতি শোচনীয়ই নহয়, ৰাহুল গান্ধীয়ে পদত্যাগ কৰাৰ পূৰ্বে সকলো জ্যেষ্ঠ নেতাক অপমান কৰাই নহয়, ৱৰ্কিং কমিটীৰ বৈঠকো সম্প্ৰসাৰিত কৰিছে। বিগত তিনি বছৰ ধৰি ৰাহুল গান্ধীয়ে একেই স্থিতিত আছে বুলিও অভিযোগ কৰে গোলাম নবী আজাদে। পদত্যাগ-পত্ৰত ক্ষোভ উজাৰি গোলাম নবী আজাদে কয়-২০২০

(দহ পৃষ্ঠাত চাওক)

# কৰ্মসূত্ৰে দেশে-বিদেশে নিয়োজিত হৈ থাকিলেও মাতৃভূমিৰ টানে প্ৰবাসী অসমীয়াসকলক একাত্ম কৰি ৰাখিছেঃ সৰ্বানন্দ সোণোৱাল



ৰঙিলী বাৰ্ত্তাসেৱা- গুৰুত্বপূৰ্ণ চৰকাৰী কাৰ্যসূচী লৈ ইৰাণ ভ্ৰমণ সামৰি সংযুক্ত আৰব আমিৰশাহি (ইউ এ ই) ভ্ৰমণ কৰাৰ সময়ত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডুবাইত প্ৰবাসী অসমীয়াসকলৰ সৈতে মত-বিনিময়ৰ অন্তৰংগ অনুষ্ঠানত মিলিত হয়। অসমৰ গৌৰৱ, ভাৰত চৰকাৰৰ আগশাৰীৰ মন্ত্ৰী তথা প্ৰিয় নেতাগৰাকীক মাজত পাই উৎফুল্লিত হৈ পৰে সংযুক্ত আৰব আমিৰশাহিৰ প্ৰবাসী অসমীয়া সমাজ। অসমৰ জাতীয় সংগীতেৰে আৰম্ভণি হোৱা অনুষ্ঠানটোত সৰ্বানন্দ সোণোৱালৰ সৈতে সংযুক্ত আৰৱ আমিশাহিত সুপ্ৰতিষ্ঠিত বহুতো অসমীয়া লোক উপস্থিত থাকে। "কৰ্মসূত্ৰে বহু অসমীয়া দেশে-বিদেশে নিয়োজিত হৈ থাকিলেও মাতৃভূমিৰ টানে সকলোকে একাত্ম কৰি ৰাখিছে। এইসকল প্ৰবাসী অসমীয়াক যেতিয়াই লগ পাওঁ, আপোনত্ব অনুভৱ কৰোঁ। শেহতীয়াভাৱে চৰকাৰী কাৰ্যসূচী লৈ ডুবাইলৈ আহি প্ৰবাসী অসমীয়াসকলক লগ পাই মই অতিকৈ আপ্লুত হৈছোঁ। বিদেশৰ মাটিত বহু অসমীয়াই কৰ্মদক্ষতাৰে সংস্থাপিত হোৱা দেখিলে মনটো আনন্দত উথলি উঠে।"- সোণোৱালে উল্লেখ কৰে। ইউ.এ.ই.-ৰ সৈতে সামুদ্ৰিক আৰু বন্দৰ সম্পৰ্কীয় তথা অন্যান্য দ্বিপাক্ষিক সম্পৰ্ক উন্নীত কৰাৰ লক্ষ্যৰে ভাৰত চৰকাৰে সদিচ্ছাৰে কেনেধৰণৰ পদক্ষেপ হাতত লৈছে, সেই সন্দৰ্ভত সোণোৱালে প্ৰবাসী অসমীয়া সমাজক অৱগত কৰে আৰু সংশ্লিষ্ট বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। মহাবাহু ব্ৰহ্মপুত্ৰৰ সুযোগ-সম্ভাৱনাক অসম তথা দেশৰ হিতৰ বাবে উন্মুক্ত কৰাত ভাৰত চৰকাৰে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছে বুলি এজন প্ৰবাসী অসমীয়াই সোধা উত্তৰত সৰ্বানন্দ সোণোৱালে কয়, "এসময়ত ব্ৰহ্মপুত্ৰ বেপাৰ-বাণিজ্যৰ বাবে উল্লেখযোগ্য পৰিবহণৰ মাধ্যম আছিল যদিও স্বাধীনতাৰ পৰৱৰ্তীকালত এই গৰিমা স্তিমিত হৈ পৰিছিল। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জলপথসমূহৰ পুনৰুজ্জীৱিত কৰণেৰে দেশৰ অৰ্থনৈতিক গতি ত্বৰান্বিত কৰাত বিশেষকৈ গুৰুত্ব আৰোপ কৰিছে, যাৰ ফলত ৰাষ্ট্ৰীয় জলপথ-২ অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ যোগেদি উত্তৰ-পূৰ্বাঞ্চলৰ বুকুত জলপথ পৰিবহণৰ কাম ক্ষিপ্ৰতৰ হৈ উঠিছে। ভাৰত-বাংলাদেশ প্ৰট'কল জলপথ হৈ ৰাষ্ট্ৰীয় জলপথ-১ অৰ্থাৎ গংগা আৰু ৰাষ্ট্ৰীয় জলপথ-২ অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ মাজৰ ঐতিহাসিক জলপথছোৱা পুনৰুজ্জীৱিত কৰাৰ ফলত এতিয়া পাটনা, হলদিয়া আদিৰ পৰা গুৱাহাটীৰ পাণ্ডুলৈ কাৰ্গ' পৰিবহণ সুচল, দ্ৰুত আৰু ব্যয়সন্মত হৈ উঠিছে। তদুপৰি, সুচল জাহাজ পৰিবহণৰ বাবে ব্ৰহ্মপুত্ৰৰ বুকুত আধুনিক প্ৰযুক্তিৰদ্বাৰা খননৰ দৰে পদক্ষেপ গ্ৰহণ কৰা হৈছে।" তদুপৰি, ডিব্ৰুগড়ৰ বগীবিল দলঙৰ সমীপত সংযোজিত হ'বলগীয়া টাৰ্মিনেল, টৰিষ্ট জেটী, ৰিভাৰ ফ্ৰণ্ট প্ৰকল্প আদিৰ লাভালাভৰ ওপৰতো তেওঁ আলোকপাত কৰে। নুমলীগড় শোধনাগাৰক ৰে'ল সেৱাৰেও সংযোগ কৰাৰ চিন্তা-চৰ্চা চলি আছে বুলি উল্লেখ কৰি তেখেতে কয় যে, নুমলীগড়ৰপৰা ভাৰতৰ বাহিৰলৈ বিশেষকৈ বৃহৎ উপভোক্তাৰ দেশ বাংলাদেশলৈ বায়'ৰিফাইনেৰী প্ৰডাক্টৰ ৰপ্তানি আৰু বাহিৰৰপৰা কেঁচামালসমূহৰ আমদানিৰ ক্ষেত্ৰত ধনশিৰি নদীৰ ভূমিকা অপৰিসীম। সেয়েহে কাৰ্গ' জাহাজৰ সুচল চলাচলৰ বাবে এই নদীখনত খননৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি বন্দৰ, জাহাজ পৰিবহণ সম্পৰ্কীয় এটি প্ৰশ্নৰ উত্তৰত সৰ্বানন্দ সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ "মেৰিটাইম ইণ্ডিয়া ভিজন, ২০৩০"ক সাৰোগত কৰি ভাৰতে সামুদ্ৰিক খণ্ডত এতিয়া কেনেধৰণে আমূল পৰিৱৰ্তনৰ সূচনা কৰিছে, সেই সন্দৰ্ভটো বিৱৰি কয়। লগতে সাগৰমালা প্ৰকল্পৰ জৰিয়তে দেশৰ জলপথ, উপকূলীয় অঞ্চল তথা সামুদ্ৰিক খণ্ডক ত্বৰান্বিত কৰা পদক্ষেপসমূহৰ বিষয়েও প্ৰবাসী অসমীয়াসকলক অৱগত কৰে সোণোৱালে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বিগত সময়ছোৱাত সম্ভৱ হোৱা অভূতপূৰ্ব পৰিৱৰ্তনে কিদৰে সৰ্বস্তৰৰ জনগণক সামৰি লৈছে আৰু প্ৰধানমন্ত্ৰীয়ে অষ্টলক্ষ্মী আখ্যা দিয়া অঞ্চলটোত স্থায়ী শান্তি প্ৰতিষ্ঠিত হোৱাৰ ফলত কিদৰে উন্নয়নৰ নৱজাগৰণৰ সৃষ্টি হৈছে, সেই সন্দৰ্ভতো সোণোৱালে মত প্ৰকাশ কৰে। কৰ্মসূত্ৰে দেশৰ বাহিৰত থাকিলেও পুণ্য ভাৰতভূমি তথা অসমী আইৰ প্ৰতি সদাদায়বদ্ধ হৈ মাতৃভূমিৰ হিতৰ বাবে চিন্তা কৰি আৰু অৰিহণা আগবঢ়াই কৰ্মক্ষেত্ৰত আগুৱাই যাবলৈ প্ৰবাসী অসমীয়াসকলক সোণোৱালে আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ইৰাণ আৰু ইউ.এ.ই.লৈ তিনিদিনীয়া চৰকাৰী ভ্ৰমণ কাৰ্যসূচী লৈ আহিছিল। ইৰাণৰ চাবাহাৰ বন্দৰৰ উপৰিও তেওঁ ইউ.এ.ই.ৰ জেবেল আলী বন্দৰ ভ্ৰমণ কৰিছে আৰু দ্বিপাক্ষিক বৈঠকত অংশ লোৱাৰ উপৰিও বিনিয়োগকাৰীৰ সৈতেও বৈঠকত মিলিত হৈছে। এই ভ্ৰমণৰ উদ্দেশ্য হৈছে ভাৰতৰ সৈতে ইৰাণ, ইউ.এ.ই.ৰ মাজৰ সামুদ্ৰিক আৰু অন্যান্য পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰা।

# গুৱাহাটী প্ৰেছ ক্লাবত ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন কবি ৰেখা বৰকটকীৰ গ্ৰন্থ "লহমা" উন্মোচন




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ বিশিষ্ট গ্ৰন্থ প্ৰকাশক ভাষা প্ৰকাশনৰ উদ্যোগত গুৱাহাটী প্ৰেছ ক্লাবত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বিদেশ ভ্ৰমণৰ চাক্ষুস অভিজ্ঞতাৰ ভিত্তিত ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন কবি তথা লেখিকা যোৰহাটৰ ৰেখা বৰকটকীৰ উপন্যাস "লহমা" উন্মোচন কৰে অসমৰ এগৰাকী বিশিষ্ট লেখক তথা ইতিহাস চৰ্চাকাৰী, বহু গ্ৰন্থৰ প্ৰণেতা তপন কুমাৰ শৰ্মাই। গ্ৰন্থখন উন্মোচন কৰি তপন কুমাৰ শৰ্মাই তেখেতৰ ভাষণত ভাৰতীয় মানুহৰ জ্ঞান অন্বেষণ আৰু সাহিত্য-সংস্কৃতিৰ সৈতে ইউৰোপ-আমেৰিকাৰ জ্ঞান অন্বেষণৰ ক্ষেত্ৰত এক মনোজ্ঞ আলোচনা আগবঢ়ায়। লেখিকাৰ বুদ্ধিদীপ্ত লেখনিৰ ভূয়সী প্ৰশংসা কৰে। লগতে শৰ্মাই জ্ঞান অন্বেষণৰ বাবে সীমাৰ পৰিধি ভেদি সাত সাগৰ পাৰ হৈও জ্ঞান অন্বেষণ কৰিব পাৰে বুলি মত প্ৰকাশ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে প্ৰাগ নিউজৰ সহযোগী সম্পাদক দেৱজিৎ ভূঞা। সহজ-সৰল ভাষাৰে মনোগ্ৰাহীকৈ লিখা "লহমা"ৰ জৰিয়তে, পাঠক সমাজে বহু নজনা কথা জানিব পাৰিব বুলি সাংবাদিকগৰাকীয়ে নিজৰ অনুভৱ ব্যক্ত কৰে। আনহাতে উন্মোচনী অনুষ্ঠানত উপস্থিত থাকি কেইবাগৰাকীও গুণী জ্ঞানী ব্যক্তিয়ে গ্ৰন্থখনিৰ সম্পৰ্কত নিজৰ মতামত আগবঢ়াই। বিশিষ্ট ঘোষিকা পল্লৱিকা মহন্তই আঁত ধৰা উক্ত গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত বৰ্ণালী দাসকে ধৰি কেইবাগৰাকীও গায়িকাই সংগীত পৰিৱেশনেৰে পৰিৱেশ জীপাল কৰি তোলে। ভাষা প্ৰকাশনৰ অধ্যক্ষ মুকুট শৰ্মাই এই গ্ৰন্থ উন্মোচনী সভাত অসমীয়া গ্ৰন্থৰ পাঠকৰ সীমাবদ্ধতাই অসমত এতিয়াও গ্ৰন্থ আন্দোলন গঢ় লৈ নুঠাৰ কাৰণ বুলি মত প্ৰকাশ কৰাৰ লগতে বিয়া বাৰু আদিত গ্ৰন্থ উপহাৰ দিবলৈ আহ্বান জনায়। আনহাতে নিজ বক্তব্যত পশ্চিমীয়া দেশৰ মানুহৰ জ্ঞান লাভৰ তাড়নাক তুলনাবিহীন বুলি উল্লেখ কৰে লেখিকা ৰেখা বৰকটকীয়ে। ভাষা প্ৰকাশনৰ উদ্যোগত প্ৰকাশিত উক্ত "লহমা" শীৰ্ষক গ্ৰন্থখন অসম বুক ট্ৰাষ্ট পাণবজাৰ আৰু ডিগবৈৰ কলেজ ষ্টৰ, ডিব্ৰুগড়ৰ কেইবাখনো বুক ষ্টল আদিত উপলব্ধ হ'ব বুলি জানিবলৈ দিছে।

# ক্ৰমাৎ সুস্থ হৈ উঠিছে ৰাজু শ্ৰীবাস্তৱ



ৰঙিলী বাৰ্ত্তাসেৱা- ক্ৰমাৎ সুস্থ হৈ উঠিছে ৰাজু শ্ৰীবাস্তৱ। কৌতুক অভিনেতা আৰু প্ৰখ্যাত চেলিব্ৰিটি ৰাজু শ্ৰীবাস্তৱে ১৫ দিন চিকিৎসালয়ত ভৰ্তি হোৱাৰ পিছত জ্ঞান লাভ কৰিছে। কৌতুক অভিনেতাজনক দিল্লীৰ এইমছৰ চিকিৎসকসকলে নিৰীক্ষণ কৰি আছে। ৰাজু শ্ৰীবাস্তৱক ১০ আগষ্টত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। ১০ আগষ্টৰ পৰা তেওঁ জীৱনৰ বাবে যুঁজি আছে। তেওঁ হৃদৰোগত আক্ৰান্ত হৈছিল আৰু জিমত ব্যায়াম কৰোঁতে বাগৰি পৰিছিল। সেইদিনাই চিকিৎসালয়ত তেওঁৰ এঞ্জিওপ্লাষ্টি হৈছিল। ৰাজু শ্ৰীবাস্তৱ এতিয়াও এইমছৰ আইচিইউত আছে আৰু ভেণ্টিলেটৰত আছে। এক প্ৰতিবেদন অনুসৰি, আৰু তেওঁৰ ব্যক্তিগত সচিব গৰ্ভিত নাৰাঙে কোৱাৰ দৰে, ৰাজুক দিল্লীৰ এইমছৰ চিকিৎসকসকলে নিৰীক্ষণ কৰি আছে আৰু তেওঁৰ স্বাস্থ্যৰ অৱস্থা উন্নত হৈ আছে। চিকিৎসকসকলেও ৰাজুৰ স্বাস্থ্য উন্নত কৰিবলৈ যথাসাধিকাৰ চেষ্টা কৰি আছে। ইয়াৰ লগতে তেওঁৰ পৰিয়ালৰ সদস্যসকলে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰি আছে। ৰাজুৰ পৰিয়ালৰ খবৰ অনুসৰি তেওঁৰ সকলো অঙ্গ স্বাস্থ্যবান হৈ আছে। চিকিৎসকসকলে তেওঁৰ চিকিৎসা কৰি আছে। তেওঁৰ স্বাস্থ্য ক্ৰমান্বয়ে উন্নতি কৰি আছে বুলি চিকিৎসকসকলে ধাৰণা কৰিছে আনহাতে ৰাজুৰ স্বাস্থ্য সম্পৰ্কে হাস্যকৰ উৰাবাতৰি খণ্ডন কৰি অনুৰাগীসকলক ৰাজুৰ সুস্থতাৰ বাবে শুভেচ্ছা জনাই থাকিবলৈ পৰিয়ালৰ সদস্যসকলে অনুৰোধ জনাইছে।

# ভাৰতীয় সেনাৰ মহানুভৱতা

ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় সেনাৰ মহানুভৱতা। ভাৰতীয় সেনাই জম্মু-কাশ্মীৰৰ ৰাজৌৰীৰ পৰা গ্ৰেপ্তাৰ কৰা তাবাৰাক হুছেইন নামৰ এজন পাকিস্তানী সন্ত্ৰাসবাদীক তেজ দি তেওঁক হাতেৰে খাদ্য খুৱাই দিছিল। তাবাৰাক হুছেইন বুলি চিনাক্ত কৰা সন্ত্ৰাসবাদীজনক ২১ আগষ্টত নৌচেৰা চেক্টৰত জীৱিত অৱস্থাত বন্দী কৰা হৈছিল আৰু তাৎক্ষণিক চিকিৎসা সাহায্য প্ৰদান কৰা হৈছিল। বন্দী সন্ত্ৰাসবাদীজনক ৰাজৌৰীৰ সামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল য'ত তেওঁক চিকিৎসা প্ৰদান কৰা হৈছিল, তেজ প্ৰদান কৰা হৈছিল আৰু তেওঁলোকৰ হাতেৰে খুৱাই দিছিল। জেৰাৰ সময়ত, বন্দী



সন্ত্ৰাসবাদীজনে স্বীকাৰ কৰিছিল যে তেওঁ আৰু তেওঁৰ সৈতে জড়িত সকলে ভাৰতীয় সেনাৰ চৌকিত আক্ৰমণ কৰাৰ পৰিকল্পনা কৰিছিল আৰু তেওঁলোকক কৰ্ণেল ইউনুছ চৌধুৰী নামৰ পাকিস্তানৰ চোৰাংচোৱা সংস্থাৰ এজন কৰ্ণেলে প্ৰেৰণ কৰিছিল যিয়ে তেওঁক ৩০, ০০০ টকা (পাকিস্তানী মুদ্ৰা) পৰিশোধ কৰিছিল। ব্ৰিগেডিয়াৰ ৰাজীৱ নায়াৰে ঘটনাটোৰ বিষয়ে বৰ্ণনা কৰি আৰু কৈছিল যে 'তেওঁ আমাৰ সৈন্যসকলক ৰক্তক্ষৰণ কৰিবলৈ আহিছিল কিন্তু ভাৰতীয় সেনাই তেওঁৰ জীৱন ৰক্ষা কৰিছিল। হুছেইনে গ্ৰেপ্তাৰ হোৱাৰ সময়ত তেওঁৰ জীৱনৰ বাবে অনুৰোধ কৰিছিল।'উল্লেখযোগ্য যে, তাবাৰাক হুছেইন আৰু তেওঁৰ ভাতৃ হাৰুণ আলীক ২০১৬ চনত একেটা অঞ্চলতে ভাৰতীয় সেনাই আটক কৰিছিল আৰু ২০১৭ চনৰ নৱেম্বৰত মানৱীয় ভিত্তিত ঘূৰাই দিয়া হৈছিল।

# শীঘ্ৰে বন্ধ হ'ব ৰাজ্যৰ ৩৪ খন বিদ্যালয়



ৰঙিলী বাৰ্ত্তাসেৱা- অসমত অতি শীঘ্ৰে বন্ধ হ'ব ৩৪ খন বিদ্যালয়। অসমৰ ৩৪ খন চৰকাৰী বিদ্যালয়ক বন্ধ কৰাৰ নিৰ্দেশ ৰাজ্য চৰকাৰৰ। ইতিমধ্যে বন্ধ হ'বলগীয়া শিক্ষানুষ্ঠান সমূহৰ তালিকা প্ৰস্তুত কৰিছে শিক্ষা বিভাগে। বিদ্যালয় কেইখনে সন্তোষজনক ফলাফল দেখুৱাত ব্যৰ্থ হৈছিল। ২০২১-২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৩৪ খন বিদ্যালয়ৰ ফলাফল আছিল শূন্য। একেদৰে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম থকা বিদ্যালয় সমূহো বন্ধ কৰাৰ নিৰ্দেশনা ৰাজ্য চৰকাৰৰ।বন্ধ হোৱা বিদ্যালয় সমূহ ওচৰৰ অন্য বিদ্যালয়ৰ সৈতে সংলগ্ন কৰিব। কোন জিলাত কেইখন বিদ্যালয় বন্ধ হ'ব কাছাৰ জিলাত ৫ খন, চিৰাং জিলাত ১ খন, দৰং জিলাত ১ খন, ধুবুৰী জিলাত ২ খন, ডিব্ৰুগড় জিলাত ১ খন, গোৱালপাৰা জিলাত ২ খন, গোলাঘাট জিলাত ১ খন, হাইলাকান্দি জিলাত ১ খন, যোৰহাট জিলাত ৫ খন, কামৰূপ জিলাত ১ খন, কাৰ্বি আংলং জিলাত ৭ খন, কোকৰাঝাৰ জিলাত ১ খন, লখিমপুৰ জিলাত ২ খন, নগাঁও জিলাত ২ খন, নলবাৰী জিলাত ১ খন, পশ্চিম কাৰ্বি আংলং জিলাত ১ খন।

# নিবনুৱা সমস্যা সমাধানত চূড়ান্ত ব্যৰ্থ অসম চৰকাৰ




ৰঙিলী বাৰ্ত্তাসেৱা- নিবনুৱা সমস্যা সমাধানত অসম চৰকাৰৰ ব্যৰ্থতাৰ প্ৰতিবাদ অসম তৃণমূল যুৱ কংগ্ৰেছৰ। দলীয় যুৱ নেতা-কৰ্মীসকলে মহানগৰীৰ ৰিহাবাৰীস্থ নিয়োগ বিনিময় কেন্দ্ৰৰ সন্মুখত হাতে হাতে নিজৰ নিজৰ ডিগ্ৰীৰ প্ৰমাণপত্ৰ সমূহ লৈ প্ৰতীকী প্ৰতিবাদ সাব্যস্ত কৰে। ৩০ লাখ নিবনুৱাৰ চাকৰি যোগ্য নিবনুৱাক যিহেতু চৰকাৰে কোনো সংস্থাপন দিবলৈ সক্ষম হোৱা নাই, সেয়ে প্ৰমাণপত্ৰসমূহ চৰকাৰক ওভোতাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি অসম তৃণমূল যুৱ কংগ্ৰেছৰ সভাপতি বন্দীপ দত্তই মন্তব্য কৰে। 'আজি চৰকাৰে মাত্ৰ ৩০ হাজাৰক চাকৰি দি বা: বা: ল'ব বিচাৰিছে। কিন্তু ড° হিমন্ত বিশ্ব শৰ্মাই জনা উচিত যে অসমত আছে ৩০ লাখ নিবনুৱাই আজি মূৰে কপালে হাত দি আছে। প্ৰতিশ্ৰুতি আছিল বছৰি ২ লাখকৈ চাকৰি দিয়াৰ। কিন্তু কৰিছে কি? তেন্তে আমাৰ ডিগ্ৰীৰ প্ৰমাণপত্ৰসমূহ আমাৰ লগত থকাৰ কি অৰ্থ? সেয়ে আজি ওভোতাই দিবলৈ আহিছো,' সভাপতি দত্তই কয়। অসম তৃণমূল যুৱ কংগ্ৰেছৰ এই প্ৰতিবাদে অসমৰ নিবনুৱাসকলৰ দুৰ্দশাৰ ছবিখন দাঙি ধৰা বুলি উল্লেখ কৰি ই ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ চূড়ান্ত ব্যৰ্থতাৰ দিশটো উদঙাই দিয়া বুলি মন্তব্য কৰে। সংবাদ মাধ্যমৰে হোৱা বাৰ্তালাপত বিজেপি চৰকাৰৰ আমোলত সংস্থাপন বুচাৰি হাবাথুৰি খোৱা যুৱ প্ৰজন্মই দিকবিদিক হেৰুৱাবলগীয়া হোৱা বুলি ক্ষোভ প্ৰকাশ কৰে। অসম তৃণমূল যুৱ কংগ্ৰেছৰ প্ৰতিবাদকাৰীৰ ওপৰত আৰক্ষীৰ অত্যাচাৰ, গ্ৰেপ্তাৰ গৰিহণা সভাপতি ৰিপুণ বৰাৰ। ৰাজ্যৰ ভিন্ন জিলাৰ পৰা অহা অসম তৃণমূল যুৱ কংগ্ৰেছৰ প্ৰতিবাদকাৰী কৰ্মীসকলক অসম আৰক্ষীয়ে বলপূৰ্বক আটক কৰি চচলত থকা ধৰ্ণাস্থলীত কেইবাঘণ্টা ধৰি আবদ্ধ কৰি ৰাখে। অসম আৰক্ষীয়ে এক গণতান্ত্ৰিক প্ৰতিবাদক অগণতান্ত্ৰিক দমন নীতিৰে স্তব্ধ কৰিবলৈ দলীয় সতীৰ্থৰ ওপৰত জপিয়াই পৰি ঠেলিয়াই, গতিয়াই বলপূৰ্বক গ্ৰেপ্তাৰ কৰা কাৰ্যৰ তীব্ৰ গৰিহণা দিয়ে সভাপতি ৰিপুণ বৰাই। ভাল কাম কৰিব নোৱাৰা চৰকাৰখনৰ নিজৰ স্বৰূপ অসমবাসীৰ সন্মুখত অসম তৃণমূলে উদঙাই দিয়াত এইদৰে আৰক্ষী বাহিনী মেলি দমনমূলক নীতিৰে কণ্ঠৰোধ কৰিবলৈ কৰা চেষ্টা কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলি মন্তব্য কৰে সভাপতি বৰাই।

# শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ গুৰুত্বপূৰ্ণ মন্তব্য



ৰঙিলী বাৰ্ত্তাসেৱা- টেট পাছ কৰিলেই নাপাব শিক্ষকৰ চাকৰি। যিমান খালী পদ আছে তাৰ বিপৰীতেহে পাব চাকৰি। সাংবাদিকৰ সৈতে হোৱা সাক্ষাৎকাৰত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এনেদৰে মন্তব্য কৰে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে, "ডাক্তৰী পাছ কৰিলেই সকলোৱে চাকৰি নাপায়, প্ৰত্যেকজন ইঞ্জিনীয়াৰ গ্ৰেজুৱেটে চাকৰি নাপায়। এতেকে টে'ট পাছ কৰা সকলোৱে চৰকাৰী চাকৰি নাপাবও পাৰে। এই কথা বাৰম্বাৰ চৰকাৰৰ তৰফৰ পৰা কৈ অহা হৈছে। টে'ট হৈছে এটা যোগ্যতা নিৰ্ণয়কাৰী পৰীক্ষা। এতিয়া এই পৰীক্ষাৰ লগত চাকৰি পাবলৈ বি এড, ডি এল এড লাগে। তদুপৰি যিমান খালী পদ আছে তাৰ বিপৰীতে নম্বৰৰ এটা প্ৰতিযোগিতা হয়।গতিকে একাংশ থাকি যায়। কিন্তু তাৰ কাৰণে আন্দোলনৰ ভাবুকি যুক্তিসংগত নহয়। কাৰণ শিক্ষা বিভাগত যিমান খালী পদ আছে তাৰ বিপৰীতেহে চাকৰি পাব।'

# অসম তৃণমূল কংগ্ৰেছলৈ যুৱ প্ৰজন্মৰ ব্যাপক আকৰ্ষণ

ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰতিদিনে অসম তৃণমূল কংগ্ৰেছৰ প্ৰতি ৰাইজৰ আগ্ৰহ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। দলটোৰ গুৱাহাটীস্থ মুখ্য কাৰ্যালয়ত সভাপতি ৰিপুণ বৰাৰ উপস্থিতিত হৰেকৃষ্ণ ডেকাৰ নেতৃত্বত মঙলদৈ সমষ্টিৰ শতাধিক যুৱক-যুৱতীয়ে যোগদান কৰে। সভাপতি ৰিপুণ বৰাই নসতীৰ্থসকলক আদৰণি জনাই দিয়া ভাষণত বৰ্তমান কংগ্ৰেছ-এআইইউডিএফৰ দুৰ্বল স্থিতিৰ পৰিপ্ৰেক্ষিতত অসম তৃণমূল



কংগ্ৰেছক ৰাইজে প্ৰকৃত বিৰোধী হিচাপে আদৰি লোৱা বুলি মন্তব্য কৰে। যোগদান কাৰ্যসূচীত অংশ লোৱাসকলক আদৰণি জনাই আগন্তুক সময়ত বিজেপি চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে ৰাইজক সজাগ কৰিবলৈ আহ্বান জনায়। আনহাতে অসম তৃণমূল কংগ্ৰেছ দলে সভাপতি ৰিপুণ বৰাৰ নেতৃত্বত জনতাৰ দুখ-দুৰ্দশাৰ ছবিখন তুলি ধৰাৰ ক্ষেত্ৰত লোৱা ভূমিকাত সন্তুষ্ট বুলি মন্তব্য কৰে দলত যোগদান কৰা সদস্যসকলে।

# ২০২২ বৰ্ষৰ সাহিত্য অকাডেমিৰ বঁটা বিজয়ীৰ নাম ঘোষণা




ৰঙিলী বাৰ্ত্তাসেৱা- ২০২২ বৰ্ষৰ সাহিত্য অকাডেমিৰ বঁটা বিজয়ীৰ নাম ঘোষণা কৰা হৈছে। এই বৰ্ষৰ সাহিত্য অকাডেমিৰ সন্মানীয় যুৱ বঁটা লাভ কৰিছে উদীয়মান গল্পকাৰ প্ৰদ্যুম্ন কুমাৰ গগৈয়ে। গগৈয়ে তেওঁৰ প্ৰথম গল্প সংকলন 'চকী আৰু অন্যান্য গল্প'ৰ বাবে সাহিত্য অকাডেমিৰ সন্মানীয় যুৱ বঁটা লাভ কৰিছে। আনহাতে লেখক-সাংবাদিক দিগন্ত ওজালৈ ২০২২ বৰ্ষৰ সাহিত্য একাডেমীৰ শিশু সাহিত্য বঁটা। 'ডাঙৰ মানুহৰ সাধু' শীৰ্ষক গ্ৰন্থৰ বাবে দিগন্ত ওজালৈ এই বঁটা।

# গুৱাহাটী প্ৰেছ ক্লাৱত "অনুৰ"ৰ পোষ্টাৰ মুকলি

ৰঙিলী বাৰ্ত্তাসেৱা- ডাঃ গাপেন্দ্ৰ মাহেন দাসৰ শিৰম ক্ৰিয়েচনৰ প্ৰযাজেনাত একাদিক্ৰমে "কেকটাচ" আৰু "কানীন নামৰ দুখন চলচ্চিত্ৰ নিৰ্মানৰ পাছত, বিশিষ্ট সাহিত্যিক, সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীৰ এটি চুটি গল্পৰ আধাৰত যুৱ পৰিচালক মঞ্জুল বৰুৱাৰ পৰিচালনাৰে নিৰ্মিত "অনুৰ"(Eyes on the Sunshine) চলচ্চিত্ৰখনি সম্প্ৰতি মুক্তিৰ বাবে সাজু হৈ উঠিছে। গুৱাহাটী প্ৰেছ ক্লাবত ছবিখনিৰ পোষ্টাৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। অভিনেত্ৰী ড° জাহানাৰা বেগমে আঁত ধৰা অনুষ্ঠানটিত উপস্থিত থাকে সাহিত্যিক, সাংবাদিক অনুৰাধা শৰ্মা পূজাৰী, জ্যেষ্ঠ অভিনেতা নিপন গোস্বামী, প্ৰাঞ্জল শইকীয়া, জ্যেষ্ঠ অভিনেত্ৰী মৃদুলা বৰুৱা, মলয়া গোস্বামী, পূৰ্ণিমা পাঠক শইকীয়াৰ লগতে বহুকেইগৰাকী গণ্যমান্য ব্যক্তি। মূলতঃ বৃদ্ধাৱস্থাত একাংশ পিতৃ-মাতৃয়ে নিজৰ সন্তান থকাৰ পাছতো



কেনেদৰে নিসংগ হৈ পৰে আৰু সেই শোক-সন্তাপবোৰ কেনেদৰে অবদমন কৰি থাকিবলগীয়া হয় তাকেই মূল বিষয়বস্তু হিচাপে লৈ ছবিখনিৰ চিত্ৰনাট্য-সংলাপ লিখিছে পৰিচালক মঞ্জুল বৰুৱাই। চিনেমাটোগ্ৰাফী সুমন দুৱৰাৰ। সংগীত পৰিচালনা কৰিছে জনপ্ৰিয় শিল্পী তৰালী শৰ্মাই। ছাউণ্ড ডিজাইন কৰিছে অমৃত প্ৰীতমে। সাজ সজ্জা গৰিমা শইকীয়া গাৰ্গৰ। মেকআপ আৰ্টিষ্ট তীব্ৰজ্যোতি বৈৰাগী। ছবিখনি সম্পাদনা কৰিছে টুৰেনচাঙে। ৰি-ৰেকৰ্ডিং আৰু মিক্সিং কৰিছে দেবাজিৎ চাংমাইয়ে। পোষ্টাৰ ডিজাইন কৰিছে ৰিতুপৰ্ণ বৰাই। "অনুৰ" ত অভিনয় কৰিছে ক্ৰমে- বলীউডৰ জনপ্ৰিয় শিল্পী ৰজত কাপুৰ, ড° জাহানাৰা বেগম, বলোৰাম দাস, উদয়ন দুৱৰা, ৰাজশ্ৰী শৰ্মা, বিদ্যা ভাৰতী, বিভূতি ভুষণ হাজৰিকা, মানস দাস, ডাঃ জয়ন্ত দাস, আখ্যা জে.কাশ্যপ, ময়ূৰ জি.দাস, শ্ৰুতিমালা শইকীয়া, কুল কুলদীপ, ৰয়ন্তী ৰাভা, মিতু বি. কাশ্যপ, দ্ৰুপদ দাস, অঞ্জনাভ ৰাজখোৱা আদিয়ে। আনহাতে, ছবিখনিৰ পোষ্টাৰ মুকলি কৰি সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীয়ে ভাষণ প্ৰদান কৰি অসমীয়া ছবিৰ উত্থান, যুৱপ্ৰজন্মৰ উদীয়মান চলচ্চিত্ৰ নিৰ্মাণৰ বিষয়ে প্ৰশংসা কৰে। তদুপৰি, বিশিষ্ট ব্যক্তিসকল ক্ৰমে জ্যেষ্ঠ অভিনেতা নিপন গোস্বামী, প্ৰাঞ্জল শইকীয়া, জ্যেষ্ঠ অভিনেত্ৰী মৃদুলা বৰুৱা, মলয়া গোস্বামী আৰু পূৰ্ণিমা পাঠক শইকীয়াই ছবিখনিৰ সন্দৰ্ভত বক্তব্য দাঙি ধৰে।

# মেঘালয়ত টেক্সি চালকক হত্যা কৰা আই লাভ ইউ টালাংক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- এজন পৰ্যটক কেব চালকৰ হত্যাত জড়িত থকাৰ অভিযোগত মেঘালয় আৰক্ষীয়ে আই লাভ ইউ টালাং নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। চালক দামেহিপাইয়া পাপেং ১০ আগষ্টত পশ্চিম জৈন্তিয়া পাহাৰৰ মিহমিন্টুত থকা তেওঁৰ পত্নীৰ বাসগৃহৰ পৰা নিৰুদ্দেশ হৈছিল। ২৫ আগষ্টত জোৱাই বাইপাছত চালক দামেহিপাইয়া পাপেঙৰ মৃতদেহ ডিঙি কটা অৱস্থাত উদ্ধাৰ কৰা হৈছিল।মেঘালয় আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা আই লাভ ইউ টালাংই টেক্সি চালকক হত্যা কৰাৰ কথা স্বীকাৰ কৰিছে। উল্লেখযোগ্য যে, ১৬ আগষ্টত লুমশ্নং অঞ্চলৰ পৰা উদ্ধাৰ কৰা এজন জোৱাই-শ্বিলং স্থিত পৰ্যটক বাহন চালক ফ্লমুন খাৰচাহনোহৰ হত্যাকাণ্ডতো আই লাভ ইউ টালাং জড়িত আছিল। টালাঙৰ বিৰুদ্ধে কেইবাটাও হত্যাকাণ্ডৰ অভিযোগ উত্থাপিত হৈছে।

# সমাজে এঘৰীয়া কৰা লোকক পূজালৈ মাতি বিপদত পৰিল এটা পৰিয়াল


ৰঙিলী বাৰ্ত্তাসেৱা- শেহতীয়াকৈ অসমত ব্ৰাহ্মণ সমাজৰ কিছুমান ৰীতি-নীতিক লৈ বিতৰ্ক চলি থকাৰ মাজতে পুনৰ দৰঙত সংঘটিত হ'ল সমাজক লজ্জানত কৰা আন এক ঘটনা। সমাজে এঘৰীয়া কৰা লোকক ঘৰলৈ মাতি পূজাৰ প্ৰসাদ খুওৱাৰ বাবে বিপদত পৰিল এটা ব্ৰাহ্মণ পৰিয়াল। সমাজে এঘৰীয়া কৰা এগৰাকী ব্যক্তিক ঘৰলৈ মাতি পূজাৰ প্ৰসাদ খুওৱাৰ অপৰাধত সমাজচ্যুত হ'ল এটা পৰিয়াল। এই লজ্জাজনক ঘটনা সংঘটিত হৈছে দৰঙৰ ছিপাঝাৰৰ ব্যাসপাৰা অঞ্চলৰ চনং ঘোঁৰাশাল গাঁৱত। গাঁওখনৰ আনন্দিপাৰা চুবুৰীৰ দীনেশ শৰ্মা নামৰ ব্যক্তিজনে ঘৰতে পূজাৰ আয়োজন কৰিছিল। সেই পূজালৈ আন লোকৰ সৈতে বহু বছৰ পূৰ্বৰ পৰাই এঘৰীয়া কৰা লোক এজনো আহিছিল। লোকজনে দীনেশ শৰ্মাৰ ঘৰত



পূজাৰ প্ৰসাদো গ্ৰহণ কৰিছিল। পিছে সমাজে এঘৰীয়া কৰা লোকক মাতি পূজাৰ প্ৰসাদ খুওৱাটোৰে অপৰাধ হ'ল দীনেশ শৰ্মাৰ পৰিয়ালটোৰ।ব্ৰাহ্মণ সমাজে এঘৰীয়া কৰি থোৱা লোক এজনে পূজাত উপস্থিত হৈ প্ৰসাদ খোৱাৰ অপৰাধত সমাজৰ শাস্তিৰ সন্মুখীন হৈছে দীনেশ শৰ্মাৰ পৰিয়ালটো।দীনেশ শৰ্মাৰ পৰিয়ালটোলৈ ব্ৰাহ্মণ সমাজে প্ৰেৰণ কৰা পত্ৰ অনুসৰি, সমাজৰ নিয়ম ভংগ কৰাৰ বাবে আনন্দিপাৰা কালী মন্দিৰৰ অন্তৰ্গত পৰিয়ালসমূহৰ বাসগৃহত কোনো অনুস্থানতে ভাগ লব নোৱাৰিব দীনেশ শৰ্মাৰ পৰিয়ালে। পৰিয়ালটোক দিয়া পত্ৰখনত সভাপতি গণেশ চন্দ্ৰ শৰ্মা আৰু সম্পাদক চিত্ৰ শৰ্মাৰ স্বাক্ষৰ আছে। উল্লেখযোগ্য যে, পৰিয়ালটোৰ মুল উপাৰ্জনকাৰী দীনেশ শৰ্মা বিগত এবছৰ ধৰি জটিল ৰোগত আক্ৰান্ত হৈ থকাৰ বাবে পত্নীয়ে দিন হাজিৰা কৰি কোনোমতে জীৱন নিৰ্বাহ কৰি আহিছিল। কিন্তু বৰ্তমান উক্ত ঘটনাটোৰ পিছত ৰাইজে মহিলা গৰাকীক দিন হাজিৰাৰ বাবে বিছৰা নাই। যাৰ ফলত সমাজখনৰ এচাম লোকৰ আক্ৰোশ আৰু অমানবীয় সিদ্ধান্তৰ বলি হৈ এতিয়া পৰিয়ালটো মানসিকভাৱে ভাগি পৰিছে।

# হাস্পতালত চিকিৎসাধীন এমচি মেৰী কম


ৰঙিলী বাৰ্ত্তাসেৱা- ছয়বাৰৰ বিশ্ব চেম্পিয়ন ভাৰতীয় বক্সাৰ মেৰী কম চিকিৎসাধীন। মুম্বাইৰ এখন বেচৰকাৰী হাস্পতালত সম্পন্ন হৈছে মেৰী কমৰ আঁঠুৰ অস্ত্ৰোপচাৰ। এমচি মেৰী কমে মুম্বাইস্থিত এখন চিকিৎসালয়ত তেওঁৰ বাওঁ আঁঠুত এণ্টেৰিয়ৰ ক্ৰুচিয়েট লিগামেণ্ট (এচিএল) ফাটি যোৱা মেৰামতিৰ বাবে পুনৰ গঠনমূলক অস্ত্ৰোপচাৰ কৰায়। বক্সাৰ মেৰী কমে জুনত কমনৱেলথ গেমছৰ বাছনি পৰীক্ষণত ৪৮ কেজি ট্ৰায়েলৰ সময়ত আঘাত পাইছিল। পৰীক্ষণৰ সময়ত আঁঠু পাক খাই প্ৰবীণ বক্সাৰগৰাকীৰ এচিএল ছিঙিছিল। সেই আঘাতৰ বাবে



এইবাৰ বাৰ্মিংহাম কমনৱেলথ গেমছত মেৰী কমে অংশ ল'ব নোৱাৰিলে। উল্লেখযোগ্য যে, টুইটাৰৰ জৰিয়তে এমচি মেৰী কমে লিখিছে "মই অতি সোনকালে ভাল হৈ যাম। নিৰন্তৰ মৰম আৰু সমৰ্থনৰ বাবে @OGQ_India ধন্যবাদ।"

# ল'জান ডায়মণ্ড লীগত প্ৰথম স্থান লাভ নীৰজ চোপ্ৰাৰ


ৰঙিলী বাৰ্ত্তাসেৱা- অলিম্পিকত সোণৰ পদক বিজয়ী জেভেলিন থ্ৰ'ৰাৰ নীৰজ চোপ্ৰাই নিজৰ কেৰিয়াৰত তৃতীয়বাৰৰ বাবে ৮৯ মিটাৰৰ সীমা অতিক্ৰম কৰি ল'জান ডাইমণ্ড লীগত প্ৰথম স্থান দখল কৰে। আঘাতৰ বাবে কমনৱেলথ গেমছ ২০২২ত খেলিব নোৱাৰি খেলপথাৰলৈ উভতি আহি ল'জান ডাইমণ্ড লীগত দুৰন্ত প্ৰদৰ্শন কৰে নীৰজ চোপ্ৰাই। ২৪ বছৰীয়া নীৰজ চোপ্ৰাই প্ৰথম স্থান লাভ কৰাৰ



প্ৰথম প্ৰয়াসত ৮৯.০৮ মিটাৰ শ্ৰেষ্ঠ থ্ৰো পঞ্জীয়ন কৰে। প্ৰথম স্থান লাভ কৰি নীৰাজে অহা মাহত জুৰিখত অনুষ্ঠিত হ'বলগীয়া ডাইমণ্ড লীগৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰে।

# বৰঝাৰ বিমানবন্দৰত বিষাক্ত সাপে দংশন কৰিলে কৰ্মচাৰীক

ৰঙিলী বাৰ্ত্তাসেৱা- বৰঝাৰ বিমানবন্দৰত বিষাক্ত সাপ। বিমানবন্দৰৰ এজন কৰ্মচাৰীক দংশন কৰিলে সাপে। বিমানবন্দৰৰ এৰাইভেলত লাগেজ বেল্টৰ ওচৰত এজন যুৱকক বিষাক্ত সাপে দংশন কৰে। মণ্টু বৈশ্য নামৰ বিমানবন্দৰৰ কৰ্মচাৰী



জনক ততাতয়াকৈ আজাৰা প্ৰাথমিক চিকিৎসালয়লৈ লৈ যোৱা হয়। এই ঘটনাৰ পাছতে বিষাক্ত সাপডালক উদ্ধাৰ কৰা হৈছে।

# জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শান্তি শ্ৰী ধুলিপুৰী পণ্ডিতৰ মন্তব্যক লৈ বিতৰ্কৰ সৃষ্টি

ৰঙিলী বাৰ্তাসেৱা- নৃতাত্ত্বিকভাৱে কোনো ঈশ্বৰ ব্ৰাহ্মণ নহয়। সৰ্বোচ্চ হৈছে ক্ষত্ৰিয়। ভগৱান শিৱ অনুসূচীত জাতি! জনজাতিৰ হ'ব পাৰে। দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শান্তি শ্ৰী ধুলিপুৰী পণ্ডিতৰ এক মন্তব্যক লৈ সৃষ্টি হৈছে বিতৰ্কৰ। উপাচাৰ্য শান্তি শ্ৰী ধুলিপুড়ি পণ্ডিতে কোনো ঈশ্বৰ ব্ৰাহ্মণ নহয় বুলি উল্লেখ কৰি বিতৰ্কৰ সৃষ্টি কৰিছে। ৰাজস্থানত এজন ন বছৰীয়া দলিত লৰা হত্যাক লৈ শেহতীয়াকৈ হোৱা জাতিগত হিংসা সন্দৰ্ভত মন্তব্য কৰিছিল শান্তি শ্ৰী ধুলিপুড়ি পণ্ডিতে। আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰৰ দ্বাৰা আয়োজিত এক কাৰ্যসূচীত ভাষণ দি শান্তি শ্ৰী ধুলিপুড়ি পণ্ডিতে কয় যে, "নৃতাত্ত্বিকভাৱে" দেৱতাসকল উচ্চ বৰ্ণৰ নহয় আৰু আনকি ভগৱান শিৱও অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ হ'ব পাৰে। মই সকলো মহিলাক কওঁ যে মনুস্মৃতি অনুসৰি সকলো মহিলাই শুদ্ৰ যাতে কোনো মহিলাই দাবী কৰিব নোৱাৰে যে তেওঁ এগৰাকী ব্ৰাহ্মণ বা আন কিবা আৰু বিবাহৰ দ্বাৰাহে আপুনি স্বামী বা পিতৃৰ জাতি আপোনাৰ ওপৰত লাভ কৰে। মই ভাবো এইটো এনেকুৱা এটা বস্তু যিটো অসাধাৰণভাৱে প্ৰতিক্ৰিয়াশীল। তেওঁ লগতে কয় যে, "নৃতাত্ত্বিকভাৱে" ভগৱান জগন্নাথৰ জনজাতীয় উৎপত্তি আছে। নৃতাত্ত্বিকভাৱে দেৱতা-



সকল উচ্চবৰ্ণৰ পৰা অহা নাই। হিন্দু ধৰ্ম এটা ধৰ্ম নহয় ই জীৱনৰ এটা উপায় আৰু যদি এইটো জীৱনৰ পথ হয় তেন্তে আমি সমালোচনাক কিয় ভয় কৰোঁ। উল্লেখযোগ্য যে, শান্তিশ্ৰীয়ে 'ড° বি আৰ আম্বেডকাৰ্ছ থটছ অন জেণ্ডাৰ জাষ্টিচ : ডিকোডিং দ্য ইউনিফৰ্ম ছিভিল কোড'ত লেকচাৰ ছিৰিজত ভাষণ দিছিল।

JANASANYOG- 1953/22

আপোনাৰ বেংক একাউণ্ট নম্বৰ, ডেবিট-ক্ৰেডিট কাৰ্ড নম্বৰ, পিন, চি ভি ভি নম্বৰ, অ' টি পি কাৰো লগত শ্বেয়াৰ নকৰিব।



আপুনি অনলাইন বিত্তীয় প্ৰৱঞ্চকৰ চিকাৰ হ'ব পাৰে।

যদি আপুনি অনলাইন বিত্তীয় প্ৰৱঞ্চকৰ চিকাৰ হৈছে, তেন্তে ততালিকে অভিযোগ দাখিল কৰক

২৪X৭ হেল্পলাইন নং ১৯৩০ ত

চাইবাৰ অপৰাধৰ গোচৰ www.cybercrime.gov.in ত অনলাইনযোগে দাখিল কৰক।

প্ৰতিটো পলতে আপোনাৰ সেৱাত অসম আৰক্ষী

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯৯১২১৫৮ ত Assam লিখি ৱাটছএপ কৰক | তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us @diprassam dipr.assam.gov.in

# স্তব্ধ নহয় মোৰ কলমৰ গতি

**ইকবাল হুছেইন, মৈৰাবাৰী**

হয়, শ্বাস থকাতকৈ মোৰ কলমৰ গতিধাৰা স্তব্ধ নহয়। সমাজ বিৰোধী, নীচ প্ৰবৃত্তিযুক্ত দুৰাচাৰী সকলৰ বিৰুদ্ধে মোৰ এই কলমৰ যুঁজ ধাৰাবাহিকভাৱে চলিয়েই থাকিব। মোৰ জীৱনলৈ যিমানেই ভয়-ভাবুকি নামি নাহক কিয়, সমাজৰ দুস্কৃতিকাৰী আৰু অপশক্তিৰ বিৰুদ্ধে মই কলমৰ সদ্ব্যৱহাৰ কৰি যামেই, তাৰ বাবে লাগিলে যিকোনো প্ৰত্যাহ্বানৰ সন্মুখীন হবলগীয়া নহওঁক কিয় সদা প্ৰস্তুত থাকিন। আজি যেনেদৰে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মোকাবিলা কৰি লিখা-মেলা অব্যাহত ৰাখিছোঁ অনাগত দিনতো ইনশ্বা আল্লাহ মোৰ এই লিখা-মেলাৰ ধাৰাবাহিকতা অক্ষুন্ন থাকিব। আকৌ কৈছোঁ জীৱনত যিমানেই শংকা নাথাকক কিয় নিৰবচিন্নভাৱে মই লিখি যাম, খন্তেক সময়ৰ বাবেও মোৰ কলমৰ গতিবেগ স্তব্ধ নহয় বৰঞ্চ পূৰ্বৰ তুলনাত আৰু অধিক গতিৰে চলিব মোৰ কলম। অন্যায়-অপকৰ্ম তথা অসামাজিক কাৰ্য্যকলাপৰ বিৰুদ্ধে অবিৰাম গতিত চলিব সত্য আৰু ন্যায়ৰ কলম। ভাল কাম কৰাজনৰ প্ৰসংশা কৰাৰ সমান্তৰালকৈ বেয়া কাম কৰাজনৰ বিৰুদ্ধে 'কলম' নামৰ অস্ত্ৰৰেই মই জীয়াই থকালৈকে অবিৰতভাৱে যুঁজি যাম। গাত বিন্দুমাত্ৰ তেজ আৰু কলমত চিয়াহী থকাতকৈ ৰণক্ষেত্ৰ পৰা মই কাপুৰুষৰ দৰে পৃষ্ঠ প্ৰদৰ্শন কৰি কেতিয়াও ঘুৰি নাহোঁ। দুষ্ট প্ৰকৃতিৰ লোকসকলৰ বিপক্ষে মোৰ এই সংগ্ৰাম নিৰবচিন্নভাৱে চলি আছে আৰু অনাগত দিনলৈ চলি থাকিব। যিসকলে সমাজক গুমৰাহ কৰিব বিচাৰে। যিসকলে মানুহক বিপথগামী কৰি তুলিব বিচাৰে। যিসকলে ছলনাময়ী কথা আৰু ঠগ-প্ৰৱঞ্চনাৰে মানুহৰ তেজ চুহি খায়। যিসকলে ধৰ্মৰ দোহাই দি মানুহক সেই আদিম যুগলৈ ঠেলি পঠিয়াই। যিসকল ব্যক্তিয়ে আধুনিক সভ্যতা আৰু সাধাৰণ শিক্ষা গ্ৰহণত প্ৰতিবন্ধকতা সৃষ্টি কৰে। যিসকলে সমাজত নিজৰ আধিপত্য, প্ৰভুত্ব বজাই ৰাখিবলৈ সহজ-সৰল গঞা ৰাইজক আজীৱন কাল-কুঠৰীৰ ভিতৰতেই ৰাখি থব বিচাৰে। যিসকলে ধৰ্ম, জাত-পাতলৈ সমাজত অবিশ্বাস, হিংসা, ঘৃণা, নিন্দা বিদ্বেষ, বৈষম্য, শত্ৰুতা আৰু অসহিষ্ণুৰ বাতাবৰণ সৃষ্টি কৰিব বিচাৰে। যিসকলে ধৰ্মৰ অপব্যাখ্যা আৰু ধৰ্মীয় মেৰুকৰণৰে শান্তিপূৰ্ণ সহাৱস্থানৰ দেশখনক অস্থিৰ, অশান্ত কৰিব বিচাৰে। যিসকলৰ হাড়ে হিমজুৰে কেৱল সাম্প্ৰদায়িকতাবাদৰ দুৰ্গন্ধ পোৱা যায়। যিসকলে ধৰ্ম, সমাজ তথা ৰাষ্ট্ৰ নীতিৰ বিৰুদ্ধে গৈ অবৈধ-নিষিদ্ধ কাম কৰে। যিসকলে অন্যায়, অধৰ্ম, অত্যাচাৰ, অনাচাৰ, ব্যভিচাৰ, দুৰ্নীতি-ভ্ৰষ্টাচাৰ, হিংসা, অপহৰণ, নাৰী নিৰ্যাতন, ধৰ্ষণ, হত্যা, চুৰি-ডকাইতি, জুৱা, মদ, ভাং, ড্ৰাগছ আদি অসামাজিক পাপ কাৰ্যত লিপ্ত থাকিব, তেওঁলোকৰ বিপক্ষে আৰু ধৰ্ম, সমাজ তথা ৰাষ্ট্ৰৰ একতা, শান্তি আৰু প্ৰগতিৰ স্বাৰ্থত মোৰ যুদ্ধ বিৰামহীন ভাৱে চলিয়েই থাকিব। কাৰণ মই ভীৰু



নহয় যে, কাৰোবাৰ ধমকিত থমকি ৰ'ম। কুৰুচিসম্পন্ন, নিলাজ, স্বাৰ্থপৰ তথা মুৰ্খৰ সাগৰত বাস কৰা মানৱৰূপী পশুবোৰৰ বিৰুদ্ধে শত বাধাকো নেওচি শেষ সময়লৈ মাৰ বান্ধি থিয় দিম। ধৰ্মৰ দালালবোৰে যিমানেই মোৰ বিৰুদ্ধে অপপ্ৰচাৰ আৰু অপবাদ দিব সিমানেই শক্তিশালী হৈ উঠিব মোৰ কলমৰ মুখা। হিন্দু-মুছলমান সকলোৰে দোৱা-আশীৰ্বাদ শিৰোধাৰ্য্য কৰি লৈ মই মোৰ কাম কৰি যোৱাৰ লক্ষ্য স্থিৰ কৰি লৈছোঁ। মোৰ লক্ষ্য-উদ্দেশ্য মহৎ আৰু পৱিত্ৰ। গতিকে ভয় পোৱাৰ বা শংকিত হোৱাৰ প্ৰশ্নই নুঠে। মোৰ বিশ্বাস ধৰ্ম, সমাজ তথা ৰাষ্ট্ৰৰ প্ৰতি যদি মোৰ প্ৰেম-ভালপোৱা আৰু সমৰ্পণৰ ভাৱ আছে, তেন্তে নিশ্চিতভাৱে সৰ্বস্তৰৰ নাগৰিক তথা চৰকাৰ-প্ৰশাসনৰ লগতে পৰম কাৰণাময় পৰমাত্মা পৰমেশ্বৰ মহান আল্লাহ ৰাব্বুল আলামিনে মোৰ সহায় কৰিব। যদি জনসাধাৰণৰ মৰম, দেশমাতৃৰ আশীষ আৰু ভগৱন্তৰ কৃপা প্ৰাপ্ত হওঁ তেন্তে এইটোৱেই মোৰ বাবে যথেষ্ট। উল্লেখ্য যে, যোৱা দুদিন ধৰি পৰ্যায়ক্ৰমে 'আলিমৰ নামত কলংক' একাংশ কাঠ মোল্লাৰ বিষয়ে পেপাৰে-পত্ৰই তেওঁলোকৰ কুকীৰ্তিৰ কিছু দস্তাবেজ প্ৰকাশ কৰাত মোৰ লগতে কেমেৰামেন গাজিবুৰ ৰহমানো বিভিন্ন ধৰণৰ ভাবুকিৰ সন্মুখীন হবলগীয়া হৈছে। সম্প্ৰতি হতাশাত ভুগা কাঠ মোল্লাৰ ফালৰ পৰা আমাৰ জীৱনলৈ নামি অহা ভাবুকিৰ পৰিপেক্ষিতত প্ৰাণৰ সংশয়ত ভুগিছো, যদিওঁ বিচলিত হোৱা নাই।

# অপৰূপা

**হিমাদ্ৰী বৰকটকী নগাঁও**



"অপৰূপা" তাইৰ নাম। সঁচাই তাইৰ নামটো বৰ ধুনীয়া। তাই দেখাটো ধুনীয়া আৰু কামে কাজেও বৰ ভাল ছোৱালী। লাহে লাহে তাই গাভৰু হ'ল। তাইৰ ৰূপ লাৱণ্যই গাওঁৰ সকলোকে মোহিত কৰিব ধৰিলে। গাওঁৰ ডেকা ল'ৰাবোৰ তাইৰ কাৰনে বালিয়া আছিল। তাই চহৰৰ কলেজ এখনত ডিগ্ৰী পঢ়ি আছিল। এদিন অপৰূপাই লগৰ ছোৱালী এজনীৰ বিয়া খাবলৈ গৈছিল চহৰলৈ। বিয়াত চহৰৰ ল'ৰা এজনৰ চকুত অপৰূপাৰ ৰূপ লাৱণ্যই ধৰা দিলে। সি তাইৰ মাক দেউতাকক লগ পাব বিচাৰিলে অপৰূপা হঁতৰ ঘৰৰ অৱস্থা ইমান ভাল নাছিল। কোনোমতে খায় বৈ চলি থকা। কেইদিনমানৰ পিছত ল'ৰাটো অপৰূপা হঁতৰ ঘৰলৈ আহিলে। তাই তাক দেখি আচৰিত হ'ল। তাই ভাবিছিল সি এনেয়ে তাইৰ ঘৰৰ কথা শুধিছে। এনেকৈ আহি ওলাবহি বুলি তাই ভবাই নাছিল। অপৰূপাই ল'ৰাজনক বহিবলৈ দি মাক দেউতাকক মাতি দিলে। তাই ল'ৰাজনক চাহ, জলপান আৰু তামোলেৰে আপ্যায়ন কৰিলে। কথাৰ চলেৰে সি মাক দেউতাকক তাইক বিয়া কৰাৰ প্ৰস্তাৱ দিলে। মাক দেউতাকেও চহৰৰ ধনী ঘৰৰ এটাই ল'ৰা, গাড়ী গুৰা থকা, তাই ও সুখত থাকিব বুলি বিয়া দিয়াৰ সিদ্ধান্ত ল'লে। তাইৰো সন্মতি বিছাৰিলে মাক দেউতাক আৰু ল'ৰাটোৱে। তাইৰ আপত্তি নাই বুলি সন্মতি জনালে বিয়াখনত। এমাহৰ ভিতৰতে অপৰূপাৰ বিয়া হৈ গ'ল। বিয়া খন অনুষ্ঠিপিয়াকৈ পাতিলে। দৰা ঘৰত খুৱা খুৱিৰ দিনা অভ্যৰ্থনাৰ আয়োজন কৰিলে। বহুতো মানুহ হৈছিল অভ্যৰ্থনাত। তাইক বৰ ধুনীয়া লাগিছে বুলি অভ্যৰ্থনালৈ অহা সকলো মানুহে কৈছিল। বিয়াৰ এবছৰ মান ভালেই গৈছিল। তাৰপিছত শহুৰ শাহুয়েকে নাতি পুতি অহাতো বিছাৰিলে। কাৰন তেওঁলোকৰ ল'ৰা এটাই। আগলৈ বংশটো কেনেকৈ ৰক্ষা পৰিব তাৰ কাৰণে সন্তানৰ কথা চিন্তা কৰিবলৈ ক'লে। কিন্তু বহু চেষ্টা কৰিও ল'ৰা ছোৱালী নোহোৱাৰ কাৰনে শহুৰ শাহুয়েকে তাইকেই দোষ দিবলৈ ধৰিলে। সদায় সদায় একেবোৰ কথা শুনি শুনি তাই অতিষ্ঠ হৈ পৰিছিল। তাই ভগৱানক সদায় কয়, মোক কিয় ইমান দুখ দিছা প্ৰভু। মোক যেনেতেনে সন্তান এটাৰ মুখ দেখুৱাই দিয়া। মোক মাতৃত্বৰ পৰা বঞ্চিত নকৰিবা। এগৰাকী ভুক্তভোগী মাতৃয়েহে যানে মাতৃত্ব নোহোৱাৰ যন্ত্ৰণা। এদিন অপৰূপাৰ স্বামীৰ বন্ধু এজন তাহাঁতৰ ঘৰলৈ ফুৰিবলৈ আহিছিল। কথাৰ মাজত এই কথাটো ওলাল। তেতিয়া বন্ধুজনে ক'লে তোমালোকে পৰিক্ষা কৰি লোৱা। তেতিয়া গম পাবা কাৰ দোষ আছে। পৰিক্ষা নিৰিক্ষা কৰি গম পালে যে অপৰূপাৰ দোষ নাই, গিৰিয়েকৰহে দোষ আছে। তথাপি শহুৰ শাহুয়ে তাইকেই দোষ দি থাকে। তাই মানসিক অশান্তিত থাকিব নোৱাৰা হ'ল। তেনেকৈ চ বছৰমান থাকি তাই মাকৰ ঘৰলৈ গুছি আহিল। তাইক দেখি গাঁৱৰ মানুহে বুবু, বা বা কৰিবলৈ ল'লে। আমাৰ সমাজত এইটো চিৰাচৰিত কথা। লোকৰ কথাৰ শুং লৈ থকা এচাম মানুহেই আছে। আনৰ দোষ গুন বখানি বৰ ভাল পায়। লাহে লাহে মাক দেউতাকেও গাওঁৰ মানুহ বোৰৰ কথাবোৰ শুনি অশান্তি পাবলৈ ধৰিলে। তাইৰ কানটো কথাবোৰ আহি পৰিলে। তাই আকৌ ভাবি আছিল গিৰিয়েক এদিন আহিব তাইক নিবলৈ। কিন্তু সি নাহিল তাইক ঘুৰাই নিবলৈ। অৱশেষত তাই ভাবিলে মই থাকিলে এই গাওঁৰো অশান্তি আৰু মাক দেউতাকৰো অশান্তি হ'ব। সেইকাৰণে তাই সিদ্ধান্ত ল'লে তাই চহৰত থকা প্ৰজাপিতা ব্ৰহ্মকুমাৰী আশ্ৰমত থকাৰ। তাইৰ সিদ্ধান্তক মাক দেউতাকে প্ৰথমে আপত্তি কৰিছিল আৰু কৈছিল তই আকৌ বিয়াত বহ। কিন্তু তাইৰ মনটোৱে নামানিলে পুনৰ বিয়াত বহি বলৈ। অৱশেষত তাইৰ সিদ্ধান্তক মাক দেউতাকে মানি ল'বলৈ বাধ্য হ'ল। তাই এতিয়া

(আঠপৃষ্ঠাত চাওক)

# কঢ়িয়াই ফুৰিছোঁ মৰাশৰ গোন্ধ

**পুলিন ডেকা**



এন্ধাৰে সেউজ কৰা সপোনৰ ৰাজআলিত  
চিঞৰি থাকে এটা শিলৰ কলিজাই  
মই অচিনাকি পোছাকবোৰ পিন্ধি  
তাৰ কাষতে কঢ়িয়াই  
ফুৰোঁ মৰাশৰ গোন্ধ  
চকুৰ পানী মেৰিয়াই লৈ তপত হোৱা  
কুঁৱাটোত লুকাই আছে  
এটা লুপীয়া বসন্ত  
কথা ক'বলৈ তাত বৈ থাকে এটা চৰাইৰ ঠোঁট  
মৰহিও গুণগুণাই থকা ফুলৰ পাপৰিত  
তুমি চাগে এতিয়াও জীয়াই আছা  
এটা জিলিৰ সুৰত  
মই বৰফ হওঁ নৈৰ প্ৰান্তৰৰ বালিছন্দাত  
তেজত তিতি থকা পুখুৰীত এৰাবাৰীৰ ছন্দ  
দোপালপিটা বৰষুণজাকে  
মন কৰিলেই তাত এৰি দিয়ে  
তোমাৰ অনুৰাগৰ গধুলি  
ইমানদিনে মোৰ বুলিবলৈ' নিঃসংগ দ্বীপত  
এৰি আহিছোঁ সাগৰতলিৰ তৃষ্ণা  
লহপহীয়া শিপাবোৰে আকৌ হাঁহিছে  
ইচ্ছামৃত্যুৰ পূৰ্বে কোলাহলত ডুবি থকা  
এটা পোৱা নক্ষত্ৰৰ দৰে  
তাকেই ক'বলৈ বৈ আছে বতাহৰ হি-হিয়নি।  
চকুৰ সহস্ৰ স্পৰ্শ।

JANASANYOG- 1949/22



# Silence that speaks



Beneath this hustle-bustle world,
lies a deep tranquility;
Where everyone keeps mum
in a serene sanctity.
Day which is full
of chaoes and noises;
Mid of the night it
turns into a horror of quietness.
Tiptoed sound of someone
felt like one is following;
Deep inside our heart,
it was like our heart is throbbing.
The voice of owl and bat
rise a creepy feeling;
The howling of foxes and wolf
make us to go running.

**Mayurakshi Baishya**

# জোখ-মাখ

**শৰ্মিষ্ঠা দেৱী**
**আমোলাপট্টি, গোলোক বৰুৱা পথ**



দুখৰ চোলা এটা —
এৰা,
দুখৰ চোলা এটা
পিন্ধাই দিবৰ বাবে
মোৰ শৰীৰত চলিছে
জোখ-মাখৰ
টনা-আঁজোৰা ।
দীঘ-প্ৰস্থ....
উমান পাই,
জধে-মধে পিন্ধিব খোঁজো
সুখৰ চোলা এটা ।
সেয়েহে হয়তো
আউল লাগে চিলনিত,
বিচাৰি নাপাঁও সূতাৰ ৰং ।
হ'ব নেকি বাৰু
সেই সূতাৰ ৰং
সেউজীয়া, অথবা আকাশী নীলা -
যাৰ প্ৰতিটো চিলনি
আকুল বুজনিৰে ঢকা ।
নে সেইটি চোলাৰ বাবেও প্ৰয়োজন হ'ব
মোৰ দেহৰ জোখ-মাখ -
দীঘ, প্ৰস্থ....

# তিনি বন্ধুৰ কাহিনী

**সংযুক্তা দত্ত, দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়**



তিনিজন ভাল বন্ধু আছিল এজনৰ নাম আছিল জ্ঞান আৰু বাকী দুজনৰ নাম ক্ৰমে ধন আৰু বিশ্বাস। তেওঁলোকৰ মাজত বন্ধুত্ব বৰ ভাল আছিল। কিন্তু এদিন এনেকুৱা হ'ল তেওঁলোক তিনিজন নিজৰ নিজৰ লক্ষ্যৰ কাৰণে বেলেগ হৈ যাব লগা হ'ল। যোৱা আগত তিনিজনে ইজনে সিজনক প্ৰশ্ন কৰিলে যে আজিৰ পৰা আমি ক'ত লগ হ'ম বা ক'ত লগ পাম। আৰু এজন এজনকৈ উত্তৰ দিলে প্ৰথম জন বন্ধু জ্ঞানে উত্তৰ দিলে পুথিভঁৰালত, কিতাপত, মন্দিৰত, বিদ্যালয়ত, মহাবিদ্যালয় আদিত মোক লগ পাবা। আৰু দ্বিতীয় জন বন্ধু ধনে ক'লে মই সফল মানুহৰ ওচৰত থাকিম আৰু ধনী মানুহৰ ওচৰত মোক পাবা। এইবাৰ শেষত বিশ্বাসক সুধিলে যে তোমাক আমি ক'ত লগ পাম ।বহুত সময় মনে মনে থাকি অৱশেষত বিশ্বাসে ক'লে যে বন্ধু যদিহে মই এবাৰ গুচি যাওঁ তেতিয়া কিন্তু কেতিয়াও ঘূৰি নাহোঁ। ধন আৰু জ্ঞান থাকি কি লাভ যদিহে সেই ধন আৰু জ্ঞানৰ ওপৰত নিজৰেই বিশ্বাস নাথাকে।

# জাতীয়তাবাদৰ পৰিক্ৰমা আৰু অসম

**ফখৰুদ্দিন আহমেদ ছিপাঝাৰ**



অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছিল ১২২৮ খ্ৰীষ্টাব্দত আহোম ৰাজ্যৰ প্ৰতিষ্ঠাপক স্বৰ্গদেউ চাউলুং চুকাফাৰ জৰিয়তে । ১২৬৮ খ্ৰীষ্টাব্দত তেখেতৰ মৃত্যু হৈছিল আৰু এই অসমীয়া জাতি গঠন প্ৰক্ৰিয়াই ভৰ যৌবন লাভ কৰি প্ৰায় সম্পূৰ্ণতা পাইছিল অসমৰ জাতীয় জীৱনৰ মহা সংগঠক, সংস্কাৰক, অসমত নৱ বৈষ্ণৱ আন্দোলনৰ ধাৰক আৰু বাহক মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ হাতত। এই জনা মহাপুৰুষেই আছিল অসমীয়া জাতীয়তাবাদৰ প্ৰথম প্ৰবক্তা। মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ প্ৰথমা পত্নী গৰাকীৰ মৃত্যুৰ পিছত তেখেতে উত্তৰ ভাৰত ভ্ৰমণ কৰিছিল। এই ভ্ৰমণৰ লক্ষ্য আছিল উত্তৰ ভাৰতৰ সাংস্কৃতিক গাঁও, নগৰ আৰু চহৰবোৰ লগতে বিভিন্ন তীৰ্থস্থান সমূহ। এই ভ্ৰমণৰ সময়ত সমগ্ৰ উত্তৰ ভাৰতত গা কৰি উঠিছিল বৈষ্ণৱী আন্দোলন। এই আন্দোলনৰ দ্বাৰা মহাপুৰুষ গৰাকী বাৰুকৈয়ে প্ৰভাৱান্বিত হৈছিল। অসমলৈ প্ৰত্যাবৰ্তন কৰি মহাপুৰুষ গৰাকীয়ে নৱ বৈষ্ণৱ ধৰ্মৰ ধাৰাক অসমৰ জনমানসত প্ৰতিষ্ঠা কৰাৰ কামত নিজকে উৎসৰ্গিত কৰিছিল। তেখেতৰ এই কৰ্মত সংগ দিছিল তেখেতৰ প্ৰিয়তম শিষ্য শ্ৰী শ্ৰী মাধৱ দেৱ তথা আন ভকত বৈষ্ণৱ সকলে। দৃষ্টি নিবদ্ধ কৰিবলগা বিষয়টি আছিল এই যে তেখেতৰ শিষ্যত্ব গ্ৰহণৰ ক্ষেত্ৰত ধৰ্ম, জাতি আৰু সম্প্ৰদায় আদিক গুৰুত্ব দিয়া হোৱা নাছিল। সকলো ধৰ্ম, জাতি আৰু সম্প্ৰদায়ৰ মানুহকে তেখেতে শিষ্যত্ব প্ৰদান কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱ আৰু তেখেতৰ প্ৰিয়তম শিষ্য শ্ৰী শ্ৰী মাধৱ দেৱে নৱ বৈষ্ণৱ ধৰ্মৰ ধাৰাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে বৰগীত, নাট, ভটিমা, তত্বমূলক গ্ৰন্থ আদি ৰচনাৰ আশ্ৰয় লৈছিল। এই সাহিত্যিক গুণ সৰ্বস্ব ৰচনাৰাজিত তেখেত সকলে ব্যৱহাৰ কৰিছিল ব্ৰজাৱলী বা ব্ৰজবুলী ভাষা। ব্ৰজাৱলী বা ব্ৰজবুলী ভাষা অসমীয়া ভাষা আৰু মৈথিলী ভাষাৰ সংমিশ্ৰণত সৃষ্টি কৰা হৈছিল। এই প্ৰচেষ্টা আছিল অসমীয়া ভাষাক ৰাষ্ট্ৰীয়তা প্ৰদান কৰি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ প্ৰথম সংগ্ৰাম। মহাপুৰুষ দুজনাৰ মহাপ্ৰয়াণৰ বহু শতিকা অতিক্ৰম হৈ যোৱাৰ পিছত দেখা গৈছে যে মহাপুৰুষ দুজনাৰ ৰচনাৰাজিয়ে ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰাই নহয় একক আৰু অনন্য আসন দখল কৰিবলৈয়ো সক্ষম হৈছে। মহাপুৰুষ দুজনাৰ বৰগীত, অংকীয়া নাট, ঝুমুৰা আৰু বাচকবনীয়া গ্ৰন্থৰাজি বিশেষকৈ কীৰ্তন, দশম, নামঘোষা আৰু ভক্তি ৰত্নাৱলি কেৱল নৱ বৈষ্ণৱ ধৰ্মৰেই নহয় অসমীয়া সাহিত্যৰো অমূল্য সম্পদ আৰু মাইলৰ খুটি হিচাপে পৰিগণিত হৈ আছে। অসমীয়া জাতিলৈ মহাপুৰুষ দুজনাৰ আন এক অৱদান হৈছে নামঘৰ সমূহ। এই নামঘৰ সমূহে অসমত শান্তি, সম্প্ৰীতি আৰু একতাৰ বাণী জাতি, ধৰ্ম নিৰ্বিশেষে সকলো জনগোষ্ঠীৰ মাজতে প্ৰচাৰ কৰি আহিছে আৰু

( বাৰপৃষ্ঠাত চাওক)

# অপৰূপা

ব্ৰহ্মকুমাৰী আশ্ৰমৰ ভগ্নী। এতিয়া তাই জীৱনৰ মায়া মোহৰ পৰা সম্পূৰ্ণ মুক্ত আৰু সমাজৰ কামতেই ব্ৰতী হৈ থাকিম বুলি প্ৰতিজ্ঞাবদ্ধ। অৱশেষত অপৰূপাই জীয়াই থকাৰ এটা নতুন পথ পালে। আমাৰ সমাজত এনেকুৱা বহু কেইজনী অপৰূপা ওলাব। যি এতিয়াও মানসিকতাৰ বলি হৈ আছে। এতিয়াও বহুতো এনেকুৱা মানসিকতাৰ মানুহ আছে। এনেবোৰ কাৰণতে এখন এখন সুন্দৰ সংসাৰ ধ্বংস হৈ যাবলৈ ধৰিছে। আমাৰ মানসিকতা পৰিবৰ্তন হলেহে এখন সুস্থ সমাজ গঢ় লৈ উঠিব। এতিয়াও বহুতে মহিলা গৰাকীকে সন্তান নোহোৱাৰ দোহাই দি থাকে। লাগিলে পুৰুষ জনৰেই দোষ নাথাকক কিয় ? আমি নাৰী হ'লো বুলিয়েই যে সকলো দোষ মোৰ পাতি ল'ম, সেইটো কেনেকুৱা কথা ? এগৰাকী মহিলাৰ সন্তান জন্ম দিয়াৰ ক্ষমতা নাথাকিবও পাৰে। সেই কাৰণে কি মহিলা গৰাকীক আমি চিৰজীৱন দোষ দি থাকিম ? তেওঁক সকলো ফালৰ পৰা বঞ্চিত কৰি ৰাখিম ? এনেবোৰ মানসিকতা এতিয়া এৰিবৰ হ'ল। সন্তান থাকিও আজিকালি মাক দেউতাকক বহুতে বৃদ্ধা আশ্ৰমত থয়। গতিকে এগৰাকী নাৰী সন্তানৰ অবিহনেও সুন্দৰকৈ জীয়াই থকাত সমাজ খনৰ দায়িত্ব আছে। বৰ্তমান অৱশ্যে বিভিন্ন পদ্ধতিৰে সন্তান জন্ম দিয়াৰ ব্যৱস্থা কৰা হৈছে। তাৰফলত বহুতো পতি পত্নী উপকৃত ও হৈছে। অপৰূপা এটা উদাহৰণহে মাথোঁ, বৰ্তমান সমাজত হৈ থকা ঘটনা সমূহৰ।

১১ ভাদ ১৪২৭ চন Rongili Barta, Date of Publication-- 28 August, 2022

# খনিকৰ পুথি

ৰাজলক্ষ্মী বৰঠাকুৰ, দেৱৰাজ ৰয় মহাবিদ্যালয় গোলাঘাট

খনিকৰ পুথি অসমৰ ইতিহাসৰ এক আপুৰুগীয়া সম্পত্তি বুলি কব পাৰি। এই পুথিৰ মহিমাৰ কথা কম বেচি পৰিমাণে সকলোৱে জানে। বৰ্তমান এই পুথি গোলাঘাট জিলাৰ মিছামৰা মৌজাৰ খনিকৰ গাঁৱত সংৰক্ষিত হৈ আছে। এই খন পুথি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱৰ দ্বাৰা ৰচিত কীৰ্তন-ঘোষা আৰু নামঘোষা নামৰ দুখন সাঁচি পতীয়া পুথিৰ সমষ্টি। ইতিহাস মতে এই পুথি খন বহু বছৰ পুৰণি। লোক বিশ্বাস মতে পুথি খনত বিভিন্ন আধ্যাত্মিক আৰু অলৌকিক শক্তি জড়িত হৈ আছে। খনিকৰ পুথি খন সাঁচি পাতত প্ৰাচীন অসমীয়া লিপিৰে লিখা। প্ৰবাদ মতে মানৰ অসম আক্ৰমণৰ সময়তে মণি বৰুৱা নামৰ ব্যক্তি এজনে এই পুথিসমূহ উদ্ধাৰ কৰিছিল। তেখেত আছিল খনিকৰ গাঁও নিবাসী নৰহৰি বৰুৱাৰ বংশৰ। সেই সময়ত মানৰ অত্যাচাৰত গাঁৱৰ অধিকাংশ লোকেই হাবিয়ে-বননিয়ে পলাই ফুৰিছিল কিন্তু মণি বৰুৱাই বাৰ্ধক্যৰ বাবে ঘৰ এৰি যাব পৰা নাছিল। মানে গাঁওখনৰ লোক সকলৰ ঘৰ পৰা সা - সম্পত্তিসমূহ লুট কৰি নিয়াৰ সময়ত কিবা কাৰণত মণি বৰুৱাৰ ঘৰৰ পুখুৰীৰ পাৰত এটা টোপোলা এৰি থৈ যায়। তাৰপিছত বৰুৱাই টোপোলাটো খুলি তাত কীৰ্তন, দশম, নামঘোষা, আৰু ভক্তি ৰত্নাৱলী নামেৰে চাৰিখন মহাপুৰুষীয়া সাঁচিপাতৰ পুথি উদ্ধাৰ কৰে। কিছুদিন পিছত তেওঁ ইয়াৰ দশম খন নিজৰ গাঁৱৰ নাম ঘৰলৈ আৰু ভক্তি ৰত্নাৱলী খন কাষৰ হালোৱা গাঁৱৰ নাম ঘৰলৈ আগবঢ়ায়। বাকী ৰোৱা কীৰ্তন আৰু নামঘোষা পুথি দুখন নিজৰ ঘৰতে সংৰক্ষণ কৰি ৰাখে। পুথি দুখন ৰাখিবলৈ সেই সময়তে স্থানীয় শিল্পী লীলাৰাম বৰুৱাই দুটি কাঠৰ বাকচ তৈয়াৰ কৰি দিয়ে। মণি বৰুৱাৰ মৃত্যুৰ পিছত বংশানুক্ৰমে তেখেতৰ পৰিয়ালে পুথিদুখনৰ সংৰক্ষণৰ দায়িত্ব লয়। মানৰ আক্ৰমণৰ সময়ৰ পৰা বৰ্তমানলৈকে মণি বৰুৱাৰ খনিকৰ গাঁৱতেই সংৰক্ষিত হৈ থকা বাবে এই সংযুক্ত পুথিদুখন খনিকৰ পুথি নামেৰেই জনাজাত হৈ পৰিল। বৰ্তমান খনিকৰ নাম ঘৰলৈ প্ৰতিদিনে একাধিক ভক্তৰ সমাগম হয়। বহুতে পুথি খন ঘৰলৈ নি ঘৰখনৰ সুখ -শান্তিৰ কাৰণে। ৰণ-




কীৰ্তন কৰে। পুথি ভাগক নিজ ঘৰলৈ নিব বিচৰা ভক্তই চুৰীয়া -চাদৰ আদি পৰম্পৰাগত ভকতীয়া পোচাক পিন্ধি বাকছৰ সৈতে নিজৰ মূৰৰ ওপৰত বা কান্ধত বহুৱাই নিয়াৰ নিয়ম আছে।

# নেহেৰু পৰিয়াল আৰু দেউতা

দেৱীকা বৰপূজাৰী, মুম্বাই

কেতিয়া কেনেকৈ দেউতা শিৱপ্ৰসাদ বৰুৱা নেহেৰু পৰিয়ালৰ এজন আপোন মানুহ হৈ পৰিছিল নাজানো। দেউতাৰ বিভিন্ন লিখনী আৰু চিঠি পত্ৰৰ আদান প্ৰদানৰ মাজেদি বা কেতিয়াবা আমাৰ পৰিয়ালৰ মাজত কথা প্ৰসংগত পণ্ডিত জৱাহৰলাল নেহেৰু আৰু জীয়ৰী ইন্দিৰা গান্ধীৰ লগত সঘনে দেখা হোৱা আৰু নানা সভা সমিতিত জাতীয় আলোচনাৰ সময়তে প্ৰায়েই দেউতা বা দেউতাৰ আন আন বন্ধু বান্ধৱৰ মুখত শুনিছিলো। দেউতাৰ নিজা লিখনীতে পাইছিলো যে, তেওঁ ১৯৩৭ চনত কলিকতাৰ দমদম বিমান থলিত অখিল ভাৰত কংগ্ৰেছৰ সভাপতি পণ্ডিত নেহেৰুক দেখা কৰিছিল। পণ্ডিত নেহেৰুৱে জীয়েক ইন্দিৰা প্ৰিয়দৰ্শিনিক লৈ এলাহাবাদৰ পৰা কলিকতা হৈ ৰেংগুন লৈ যাব বুলি গম পাই দেউতাই ঠিক কৰিলে, নেহেৰুক বিমানথলীতে দেখা কৰিব। সেই সময়ত আমাৰ পেহা ৰাধানাথ বৰুৱা কলিকতাত টেলিগ্ৰাফ ট্ৰেইনিং লবলৈ গৈ মাহ চেৰেক আছিল আৰু দেউতাৰ নলে গলে লগা বন্ধু মহম্মদ খলীলো কলিকতাত পঢ়ি আছিল। তিনিওজনে টেক্সি এখন ভাড়া কৰি দমদমলৈ গ'ল। যথাসময়ত, নেহেৰু আৰু ইন্দিৰা হাওৰা ষ্টেচনৰ পৰা বঙ্গদেশৰ (আজিৰ পশ্চিমবংগ) কংগ্ৰেছ নেতৃবৃন্দৰ সৈতে দমদম পালেহি। নেহেৰুৱে নিজে মটৰ গাড়ীৰ দুৱাৰ খুলি জীয়েক ইন্দিৰাক হাতত ধৰি নমাই আনিলে। ইন্দিৰা ক্ষীণ কৈ সৰু ছোৱালী, বগা ফ্ৰক, ভৰিত বগা জোতা। মুখত উজ্জলতা, চকুত সহজ সৰল আনন্দৰ আভা। দুই বৰুৱা আৰু মহম্মদ খলীলে অসমৰ হৈ বিদায় জনাবলৈ অহা বুলি কলে। নেহেৰুৱে বৰ ভাল পালে আৰু তিনিওকে শলাগিলে। অসমীয়া শিপিনীয়ে শালত বোৱা ফুলাম গামোচাৰে দেউতাই আদৰিলে। পেহা ৰাধানাথ বৰুৱা আৰু মহম্মদ খলীলে ফুলৰ থোপা উপহাৰ দিলে। সম্ভৱ এয়ে আছিল নেহেৰুৰ লগত দেউতাৰ প্ৰথম দেখাদেখি। কলিকতাৰ ৱেলিংটন পাৰ্কত কংগ্ৰেছৰ A.I.C.C. সভা বহিছিল। এই সভাত 'বন্দেমাতৰম' গীত কংগ্ৰেছৰ জাতীয় সঙ্গীত কৰাৰ লৈ হিন্দু মুছলমানৰ মাজত তুমুল তৰ্কাতৰ্কী হৈছিল মাদ্ৰাজৰ (এতিয়াৰ তামিলনাডু) জনৈক ৰমণ আৰু অসমৰ প্ৰতিনিধি হৈ যোৱা দেউতাই মুছলমান প্ৰতিনিধি সকলক তীব্ৰ ভাষাত তিৰস্কাৰ কৰি কৈছিল, "বন্দে মাতৰম সঙ্গীতৰ কোনো অংগচ্ছেদ হব নোৱাৰে"। (স্বাধীনতা আন্দোলনৰ বিক্ষিপ্ত কাহিনী, শিৱ প্ৰসাদ বৰুৱা).... কলিকতাৰ ছাত্ৰ হৈ থকা দেউতাই কলেজৰ পৰা 'এক্সকাৰচন' লৈ যাওঁতে এলাহাবাদৰ আনন্দ ভৱন (এতিয়াৰ স্বৰাজ ভৱন)লৈ গৈ পণ্ডিত নেহেৰুক দেখা কৰিছিল, ১৯৩৭ চনত। নেহৰুৱে ছাত্ৰ সকলক অধিক মনোযোগেৰে পঢ়া শুনা কৰিবলৈ কৈছিল। কথাৰ মাজে মাজে দেউতাই হেনো বেৰত আৰি থোৱা বিৰাট আকাৰৰ তৈল চিত্ৰ এখন একেৰাহে চাই আছিল। তাকে দেখি নেহৰুৱে দেউতাক সুধিলে, " Do you know who is he?" দেউতাই তপৰাই উত্তৰ দিলে " Yes I know A proud father of a proud son"...নেহৰুৱে মিচিকিয়াই হাঁহিলে। দেশ স্বাধীন হোৱাৰ পাছত দেউতা সঘনে দিল্লীলৈ যাব লগীয়া হৈছিল। অসমৰ জ্বলন্ত সমস্যা সমূহ যেনে - অসমীয়া ভাষা ৰাজ্যৰ ভাষা (Assamese as state language), ৰাজ্য পুণৰ গঠন (States Reorganisation ) পাণ্ডু ত অসমীয়া দলং (Bridge over Brahmaputra), গুৱাহাটীত শোধনাগাৰ স্থাপন আদিৰ বিষয়ে স্মাৰকপত্ৰ হাতে হাতে বা ডাক যোগে প্ৰেৰণ কৰিছিল। জালুকবাৰীত হোৱা কংগ্ৰেছ মহাসভাত দেউতাই পণ্ডিত নেহৰুক তেওঁ সম্পাদনা কৰা চিত্ৰ বিচিত্ৰ Lovely Assam সভা মণ্ডপৰ মঞ্চলৈ গৈ নিজ হাতেৰে দিছিল। নেহৰুৱে হাঁহি এটা মাৰি কলে "It's really lovely"... নেহৰুৰ কাষত বহি থকা অসমৰ তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই বৰুৱাক নেহৰুৰ লগত চিনাকি কৰি দিলে। নেহৰুৱে মিচিকিয়া হাঁহিৰে কলে " I know him well. He is an energetic young Indian"- চলিহা গহীন হৈ পৰিল। এই আলোচনী খন দেউতাই মুখ্যমন্ত্ৰী চলিহা আৰু শিক্ষামন্ত্ৰী দেৱেশ্বৰ শৰ্মাই অনুমোদন কৰা ধন আকোৰগোজ বিত্তমন্ত্ৰী ফকৰুদ্দিন আলী আহমদ চাহাবে নামঞ্জুৰ কৰিলে। ফলত 'বৰদৈচিলা'ও এবছৰ বন্ধ কৰিব লগীয়া হৈছিল।কলিকতাত পঢ়ি থাকোতে আৰু পাছতো দেউতাই ইন্দিৰা গান্ধীক প্ৰায়ে শান্তি নিকেতন আৰু আন আন ঠাইতো লগ পাইছিল। শৈক্ষিক, সামাজিক, ৰাজনৈতিক আদিৰ আলোচনা কৰিছিল। দুয়োৰে মাজত বেছ বন্ধুত্ব হৈছিল। দেউতাৰ মতে, 'ইন্দিৰা গান্ধী অতি নম্ৰ, অমায়িক, শালীনতবোধী নেত্ৰী আছিল। ব্যৱহাৰ বৰ মধুৰ আছিল। কোনোৱে কিবা কলে মন দি শুনিছিল আৰু যিমান পাৰে সহায় সহযোগ আগবঢ়াইছিল। ১৯৬৪ চনত জৱাহৰলাল নেহৰুৰ মৃত্যুত দেউতাই বৰ বেজাৰ পালে আৰু লগে লগেই দিল্লী পালেগৈ। ইন্দিৰা গান্ধীক লগ কৰি শোক প্ৰকাশ কৰিলে। প্ৰধান মন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী সভা গঠন কৰিলে। দেউতা প্ৰধান মন্ত্ৰী শাস্ত্ৰীৰ বাসভৱনলৈ গ'ল আৰু হাতজোৰ কৰি হেনো কলে -" শাস্ত্ৰীজী, ইন্দিৰা গান্ধীক কেবিনেটত লব লাগে, পিতৃ মাতৃহীনা বুলি যাতে ভাবিবলৈ দিয়া নহয়"। শাস্ত্ৰীজীয়ে স্বভাৱ সুলভ হাঁহিৰে বৰুৱাৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনালে। কেই মাহমান পাছত কেন্দ্ৰীয় মন্ত্ৰী সভাৰ সম্প্ৰসাৰণ হ'ল আৰু ইন্দিৰা গান্ধীক মন্ত্ৰী সভাত লোৱা হ'ল। তথ্য আৰু অনাতাঁৰ দপ্তৰৰ পূৰ্ণাংগ পৰ্যায়ৰ মন্ত্ৰীত্বৰ দায়িত্ব অৰ্পণ কৰা হ'ল। দেউতাৰ ভাতৃপূৰ্ণ ভূমিকাৰ বাবে ইন্দিৰা গান্ধীয়ে দেউতাৰ



ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰি দেউতালৈ পাছত চিঠি লিখিছিল। ১৯৬৯ চনত ৰাষ্ট্ৰপতি নিৰ্বাচন সন্দৰ্ভত কংগ্ৰেছৰ বিভাজন ঘটিল। ইন্দিৰা গান্ধী নেতৃত্বত শাসক কংগ্ৰেছ আৰু ছিণ্ডিকেট নেতৃত্বত এছ নিজলিঙ্গপাৰ সংগঠন কংগ্ৰেছ হ'ল। দেউতা সংগঠন কংগ্ৰেছতে থাকিল। দেউতাই কেতিয়াও ব্যক্তিগতভাৱে শাসক কংগ্ৰেছৰ নেতা- নেত্ৰী, বিধায়ক সংসদক কঠোৰ বা আক্ৰমণাত্মক সমালোচনা কৰা নাছিল। নীতি আৰু আদৰ্শত আঘাত কৰা, প্ৰশাসনত দুৰ্নীতি, অপচয় হৈ ৰাজ ভাণ্ডাৰ খালি কৰা সন্দৰ্ভত হে মাত মাতিছিল। ইন্দিৰা গান্ধীৰ সবল নেতৃত্বক প্ৰশংসা কৰিছিল। বহু কেইজন প্ৰবীন আৰু আগশাৰীৰ কংগ্ৰেছ নেতাৰ প্ৰৰোচনাত পৰিহে ইন্দিৰা গান্ধী বিপদত পৰিছিল আৰু তেখেতে তোষামোদী সকলৰ ওচৰত হাৰ মানিছিল বুলি তেতিয়াৰ একাংশ বাতৰি কাকতত প্ৰকাশ পাইছিল। ১৯৭৫ চনত দেশত আভ্যন্তৰীণ জৰুৰী শাসন প্ৰৱৰ্তন কৰা হৈছিল আৰু কাৰাগাৰত ভৰোৱা হৈছিল। প্ৰবীণ, নবীন- ভালেমান শীৰ্ষ স্থানীয় নেতাক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু কাৰাগাৰত ভৰাই থৈছিল। মাধ্যমৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল, ন্যায়ালয়ৰ কৰ্তৃপক্ষৰ ওপৰতো প্ৰভুত্ব চলোৱা হৈছিল। গণতন্ত্ৰক ভাঙি চিঙি চুৰমাৰ কৰা হৈছিল। সভা সমিতি, ধৰ্মঘট আদিক বেআইনি ঘোষণা কৰা হৈছিল। জৰুৰীকালীন ঘোষণাৰ কাৰণবোৰ আছিল, অধিক দাম, লাভখোৰ, নেতা নেত্ৰীৰ বিকৃত বিবৃতি, মজুতকৰণ, শাসক কংগ্ৰেছক গালি শপন আৰু প্ৰধান মন্ত্ৰীক পিশাচিনী সজাই নিৰ্লজ্জ কৰা ছবি প্ৰকাশ। এইবোৰে গণতন্ত্ৰৰ নামত অৰাজকতাৰ সৃষ্টি কৰিছিল। গতিকে, জৰুৰীকালীন শাসনৰ বমাধ্যমে প্ৰকাশ কৰা প্ৰকৃত হোতা সকল আছিল- সিদ্ধাৰ্থ শংকৰ ৰায়, অশোক সেন, আব্দুল গণি খান, , ধৰন, সীতানাথ কেশৰী, দেৱকান্ত বৰুৱা, অৰ্জুন সিং, মইনুল হক চৌধুৰী, প্ৰণৱ মুখাৰ্জী, মোহচিনা কিডৱাই আদি। বাতৰিত প্ৰকাশ পোৱা মতে, ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলী আহমেদে জৰুৰীকালীন প্ৰৱৰ্তনৰ পক্ষে নাছিল কিন্তু শক্তিশালী গোটটোৰ আৰু সঞ্জয় গান্ধীৰ হস্তক্ষেপত হে ৰাষ্ট্ৰপতিয়ে জৰুৰীকালীন শাসনৰ বাবে স্বাক্ষৰ কৰিছিল বুলি এচাম ধীৰ, স্থিৰ চেতনা সম্পন্ন নেতা নেত্ৰীয়ে মন্তব্য কৰা বুলি বাতৰি কাকতত প্ৰকাশ পাইছিল। দেউতা আছিল অসমৰ সংগঠন কংগ্ৰেছৰ সভাপতি। আৰু সেয়েহে দেউতাক গ্ৰেপ্তাৰ কৰিবলৈ সকলো ব্যৱস্থা লোৱা হৈছিল। অসম চৰকাৰৰ গৃহ দপ্তৰে যুগতোৱা ৬০/৭০ লোকৰ এখন তালিকাত দেউতাৰ নাম এক নম্বৰতে আছিল (আচাম ট্ৰিবুনৰ ওচৰত সম্ভাব্য গ্ৰেপ্তাৰৰ তালিকাত স্বৰ্গীয় গিৰিশ চন্দ্ৰ শৰ্মাৰ পৰা পোৱা তথ্য) লগে লগেই অসমৰ

( বাৰপৃষ্ঠাত চাওক)

# কংগ্ৰেছ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন

চনৰ আগষ্টত মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীসহ মই আৰু ২২ অন্য জ্যেষ্ঠ নেতাই দলৰ সাংগঠনিক স্থিতি শক্তিশালী কৰাৰ বাবে পত্ৰ প্ৰেৰণ কৰিছিলোঁ। কিন্তু আমাৰ এই পৰামৰ্শমূলক আহ্বানক আপোনালোকে আক্ৰমণ কৰিছিল। যথাসম্ভৱ প্ৰকাৰে আপোনালোকে আমাক অৱহেলা আৰু আওকাণ কৰাৰ লগতে অপমানিত কৰাৰ পক্ষত আছিল। সম্প্ৰতি কংগ্ৰেছ দলৰ পৰিস্থিতি দুৰ্ভাগ্যজনকভাৱে এনে পৰ্যায়ত উপনীত হৈছে যে তাৰ পৰা উভতি অহাটো অত্যন্ত কঠিন হ'ব। দলটোৰ নেতৃত্ব প্ৰকছিৰ বিপৰীতে আনক দায়িত্ব প্ৰদান কৰাৰ সময় আহি পৰিছে। কিন্তু এইক্ষেত্ৰত কোনো সঠিক সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই। সকলো পৰীক্ষণ বিফল হৈছে। কাৰণ দলটো প্ৰায় বিধ্বস্ত হৈছে। পৰিস্থিতি অতি শোচনীয় হৈ পৰিছে। যাৰ পৰা উদ্ধাৰ হোৱাটো জটিল। অৱশ্যে কাৰোবাক নিৰ্বাচন কৰিয়েই তেওঁক যদি পুতলা হিচাপে চলাই থকা হয়, তেতিয়াও দলৰ অৱস্থা উন্নীত হোৱাটো ক্ষীণ। ২৪ আকবৰ ৰোডৰ পৰাই এ আই চি চি পৰিচালিত হৈ আছে আৰু এ আই চি চিৰ সেনাপতিসকলে তাকেই মানি আহিছে। ইফালে জম্মু-কাশ্মীৰৰ জ্যেষ্ঠ নেতা গোলাম নবী আজাদে দলত্যাগ কৰাৰ পাছতে কেন্দ্ৰীয়শাসিত অঞ্চলটো ৫গৰাকী জ্যেষ্ঠ কংগ্ৰেছী নেতাই দলত্যাগ কৰিছে। গোলাম নবী আজাদৰ পদত্যাগৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰি দলত্যাগ কৰা জম্মু-কাশ্মীৰৰ ৬ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন বিধায়কৰ ভিতৰত আছে গোলাম মহম্মদ সাৰুৰী, হাজী আব্দুল ৰছিদ, মহম্মদ আমিন ভাট, গুলজাৰ আহমেদ ৱানি, চৌধাৰী আক্ৰম মহম্মদ আৰু ছলমান নিজামী। ৫০ বছৰীয়া কংগ্ৰেছৰ ৰাজনৈতিক পৰিক্ৰমা এৰি দলত্যাগ কৰা গোলাম নবী আজাদৰ সিদ্ধান্তক দুৰ্ভাগ্যজনক আখ্যা দিছে কংগ্ৰেছ দলে। যি সময়ত দলে মুদ্ৰাস্ফীতি আৰু নিবনুৱা সমস্যাক লৈ বিজেপিৰ বিৰুদ্ধে যুঁজি আছে, সেই সময়ত শীৰ্ষ নেতা গোলাম নবী আজাদৰ পদত্যাগ দুৰ্ভাগ্যজনক বুলি কংগ্ৰেছে প্ৰকাশ কৰিছে।

# একত্ৰীকৰণ কৰা হ'ব নতুনকৈ প্ৰাদেশিকীকৃত ১৯৫ খন মাধ্যমিক বিদ্যালয়

ৰঙিলী বাৰ্তাসেৱা- নতুনকৈ প্ৰাদেশিকীকৃত ১৯৫ খন মাধ্যমিক বিদ্যালয়ক একত্ৰিকৰণ প্ৰক্ৰিয়াৰে আন বিদ্যালয়ৰ সৈতে চামিল কৰাৰ জাননী জাৰি কৰা হৈছে। শিক্ষাৰ্থীৰ সংখ্যা কম হোৱাৰ বাবেই এই ১৯৫ খন বিদ্যালয় সমীপৰ আন বিদ্যালয়ৰ সৈতে সংলগ্ন কৰাৰ নিৰ্দেশ দিয়া হৈছে।মাধ্যমিক শিক্ষা সঞ্চালয়কালয়ে প্ৰকাশ কৰিছে সংশ্লিষ্ট বিদ্যালয়ৰ তালিকা। ২১খন জিলাৰ মুঠ ১৯৫ খন বিদ্যালয় একত্ৰীকৰণৰ বাবে জাননী জাৰি কৰি সংশ্লিষ্ট জিলাৰ বিদ্যালয় পৰিদৰ্শক সকলক একত্ৰীকৰণ এই প্ৰক্ৰিয়া শীঘ্ৰে কাৰ্যকৰী কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। জাননীখনত উল্লেখ কৰা অনুসৰি চামিল হ'বলগীয়া নতুনকৈ প্ৰাদেশিকীকৰণ কৰা বিদ্যালয়সমূহৰ ভূমি, ভৱন আৰু অন্যান্য সম্পত্তিবোৰ চৰকাৰৰ অধীনত থাকিব। মাধ্যমিক শিক্ষা সঞ্চালয়কালয়ে জাৰি কৰা জাননী অনুসৰি বৰপেটা জিলাৰ ৪৭ খন বিদ্যালয়, বঙাইগাঁও জিলাৰ ১৩ খন বিদ্যালয়, কাছাৰ জিলাৰ ৭ খন বিদ্যালয়, দৰং জিলাৰ ৭ খন, ধেমাজি জিলাৰ ২৩ খন, ধুবুৰী জিলাৰ ১৮ খন বিদ্যালয়, ডিব্ৰুগড় জিলাৰ এখন বিদ্যালয়, গোৱালপাৰাৰ ৫ খন বিদ্যালয়, গোলাঘাটৰ দুখন বিদ্যালয়, হাইলাকান্দিৰ তিনিখন বিদ্যালয় আৰু যোৰহাট জিলাৰ ১০ খন বিদ্যালয় একত্ৰীকৰণ কৰা হ'ব। আনহাতে কামৰূপ মহানগৰ জিলাৰ ৪ খন বিদ্যালয়, কামৰূপ গ্ৰাম্যৰ ১৮ খন বিদ্যালয়, কৰিমগঞ্জ জিলাৰ ৪ খন, লখিমপুৰ জিলাৰ ১০ খন বিদ্যালয়, মৰিগাঁও জিলাৰ ৯ খন বিদ্যালয়, নগাঁও জিলাৰ তিনিখন বিদ্যালয়, নলবাৰী জিলাৰ এখন, শিৱসাগৰৰ ৭ খন বিদ্যালয়, শোণিতপুৰ জিলাৰ এখন আৰু তিনিচুকীয়া জিলাৰ দুখন বিদ্যালয় আন বিদ্যালয়ৰ সৈতে একত্ৰীকৰণ হ'ব।

# শিক্ষানুষ্ঠান বন্ধ কৰাক লৈ টুইটাৰত দুজন জনপ্ৰিয় মুখ্যমন্ত্ৰীৰ তীব্ৰ বাকযুদ্ধ

ৰঙিলী বাৰ্তাসেৱা- অসমত একাংশ শিক্ষানুষ্ঠান বন্ধ কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰাক লৈ প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে এইবাৰ এই বিষয়টোক লৈ চচিয়েল মিডিয়াত তীব্ৰ বাকযুদ্ধত নামি পৰিছে দুখন ৰাজ্যৰ দুজনকৈ মুখ্যমন্ত্ৰী। অসমত বিদ্যালয়সমূহ বন্ধ কৰাক লৈ এতিয়া টুইটাৰত বাকযুদ্ধ চলিছে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। ২৪ আগষ্টত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে এটা টুইট কৰিছিল। টুইটত কেজৰিৱালে লিখিছিল, "স্কুল বন্ধ কৰা সমস্যাৰ সমাধান নহয়। আমি এতিয়া সমগ্ৰ দেশত বহু বিদ্যালয় খোলাৰ প্ৰয়োজন। স্কুল বন্ধ কৰাৰ সলনি স্কুলৰ সংস্কাৰ সাধন কৰক।" দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে সমালোচনা কৰাৰ পাছতেই কেজৰিৱালক উভতি ধৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এক টুইটযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কেজৰিৱালে কোনো ধৰণৰ অধ্যয়ন নকৰাকৈয়ে বিষয়টোৰ সন্দৰ্ভত মন্তব্য কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেজৰিৱালৰ সেই টুইটৰ প্ৰত্যুত্তৰ দি দি লিখিছে, " শিক্ষা মন্ত্ৰী হিচাপে মোৰ দিনত এতিয়ালৈ মুঠ ৮, ৬১০খন বিদ্যালয় স্থাপন কৰা হৈছে। চনৰ পৰা ৬, ৮০২খন প্ৰাথমিক, ১, ৫৮৯খন মাধ্যমিক বিদ্যালয় প্ৰাদেশিকীকৰণ কৰা হয়। একেদৰে ৩৮খন আদৰ্শ বিদ্যালয়, ৯৭খন চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়, ৮১খন কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, তিনিখন নেতাজী সুভাষ চন্দ্ৰ বসু আৱাসিক বিদ্যালয় স্থাপন কৰা হৈছে। "ইয়াৰ বিপৰীতে দিল্লী চৰকাৰে যোৱা সাত বছৰত কিমানখন বিদ্যালয় স্থাপন কৰিলে বুলিও প্ৰশ্ন উত্থাপন কৰে মুখ্যমন্ত্ৰীজনে। ইয়াৰ পিছতে এইবাৰ ড° হিমন্ত বিশ্ব শৰ্মাই কৰা তুলনামূলক টুইটৰ হিন্দীত প্ৰত্যুত্তৰ দিছে অৰবিন্দ কেজৰিৱালে। অৰবিন্দ কেজৰিৱালে কয় "আপুনি বেয়াই পালে, মোৰ উদ্দেশ্যে আপোনাক বেয়াকৈ কোৱা নাছিল, আমি একেখন দেশতে থাকো। আমি এজনে আনজনৰ পৰা শিকিব লাগে। তেতিয়াহে ভাৰত নাম্বাৰ ৱান দেশ হ'ব। মই অসমলৈ যাম, কওক কেতিয়া যাব লাগে? মোক আপুনি শিক্ষাখণ্ডত কৰা ভাল কামবোৰ দেখুৱাব। আপুনি দিল্লীলৈ আহক, মই মোৰ ভাল কামবোৰ দেখুৱাম।"

# ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ

সাংবাদিকৰ আগত কয়-অভিভাৱকৰ ধাৰণা সলনি হৈছে। তেওঁলোকে ভাবে যে এনে ধৰণৰ অসমীয়া মাধ্যমৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী পঢ়িলে উন্নতি কৰিব নোৱাৰিব। কম্পিউটাৰক কলনযন্ত্ৰ বুলি পঢ়িলে আগলৈ যোৱাটো সম্ভৱ নহয়। বৰাগাঁৱত এক চৰকাৰী কাৰ্যসূচীত ভাগ লৈ মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ওপৰত বক্তব্য প্ৰকাশ কৰি কয় যে শিক্ষা নীতিৰ আধাৰত প্ৰাথমিক স্তৰত মাতৃভাষা মাধ্যমতে শিক্ষা দিয়া হ'ব। চৰকাৰে নতুন শিক্ষা নীতিৰ আধাৰত প্ৰাথমিক স্তৰত মাতৃভাষাৰে পাঠ্যক্ৰম চলাই নিয়াৰ কথা কৈ আহিছে। আনকি আমি ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহতো অসমীয়াত পাঠদান দিয়াৰ আহ্বান জনাই আহিছোঁ। সেয়াই নহয়, মুখ্যমন্ত্ৰীয়ে পঞ্চম শ্ৰেণীলৈ ডনবস্ক, ছেইণ্ট মেৰীজৰ দৰে বিদ্যালয়ো অসমীয়াতে পঢ়াব লাগিব বুলিও ঘোষণা কৰে। এই বিদ্যালয়সমূহকো আমি বাধ্য কৰিম, যাতে তৃতীয় স্তৰলৈ অসমীয়াতে পঢ়ুওৱা হয়। ৰাষ্ট্ৰীয় শিক্ষা নীতি অসমত এশ শতাংশই প্ৰযোজ্য হ'ব। সকলো ইংৰাজী মাধ্যমৰ বিদ্যালয়ত তৃতীয় শ্ৰেণীলৈ অসমীয়াতে পঢ়াব লাগিব। তৃতীয় শ্ৰেণীৰ পাছত নতুন শিক্ষা নীতি মতে যি মাধ্যমত পঢ়ে পঢ়াব পাৰিব বুলি কয় মুখ্যমন্ত্ৰীয়ে।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

আস্থাত লৈছে। কোম্পানীটোৰ শীৰ্ষ ১০ বিশ্ব নেতাৰ তালিকাত প্ৰধানমন্ত্ৰী মোদীয়ে ৭৫ শতাংশৰে শীৰ্ষস্থান লাভ কৰাৰ বিপৰীতে ৬৩ শতাংশৰে মেক্সিকোৰ এনড্ৰেছ মেনুৱেল লোপেজ অব্ৰাডৰে দ্বিতীয় স্থান পাইছে। ৫৮ শতাংশৰে তৃতীয় স্থানত অষ্ট্ৰেলিয়াৰ এন্থনী আলবানিজ, ৫২ শতাংশৰে ছুইজাৰলেণ্ডৰ ইগনাজিঅ' কেছিছ চতুৰ্থ স্থানত, ৫৪ শতাংশৰে ইটালীৰ মেৰিঅ' ড্ৰাঘী পঞ্চম স্থানত, ৫০ শতাংশৰে ছুইডেনৰ মেগডালিনা এণ্ডাৰ্চন ষষ্ঠ স্থানত, ৪৩ শতাংশৰে বেলজিয়ামৰ আলেকজেণ্ডাৰ ডে ক্ৰো সপ্তম স্থানত, ৪২ শতাংশৰে ব্ৰাজিলৰ জেইৰ ব'ল চ'নাৰো অষ্টম স্থানত, ৪১ শতাংশৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন নৱম স্থানত আৰু ৩৮ শতাংশৰে জাপানৰ ফুমিঅ' কিচিড়া দশম স্থানত আছে। উল্লেখ্য যে সমীক্ষাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰেটিং ক'ভিড-১৯ মহামাৰীৰ দ্বিতীয় জোৱাৰৰ শীৰ্ষ সময়ছোৱাতো শীৰ্ষস্থানত আছিল। অৱশ্যে প্ৰধানমন্ত্ৰী মোদীৰ ২০২০ চনত ৰেটিং ৮৩ শতাংশ আছিল। পৰৱৰ্তী সময়ত ৰেটিং কিছু হ্ৰাস পালেও বিশ্বৰ সৰ্বাধিক জনপ্ৰিয় নেতা হিচাপে মোদীৰ স্থান অক্ষুণ্ণ আছে।

# ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ কামৰূপ জিলাৰ সংঘ চালক নীতিশ শৰ্মা দেৱৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৱা- ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ কামৰূপ জিলাৰ সংঘ চালক মাননীয় শ্ৰদ্ধাৰ নীতিশ শৰ্মা দেৱৰ আজি ৰাতিপুৱা ৪.৪২ বজাত বৈকুণ্ঠগামী হয়। তেখেতৰ মৃত্যুত আমি এজন অভিভাৱক হেৰুৱালো। ভাৰতীয় জনতা পাৰ্টিৰ ৰঙিয়া নগৰ মণ্ডলে তেখেতৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় । তেখেতৰ ৰ লগত ৰঙিলী বাৰ্তাৰ প্ৰতিস্থাপক সম্পাদক স্বৰ্গীয় মহেশ চন্দ্ৰ মেধিৰ এক সুকীয়া সম্পৰ্ক আছিলে। যিহেতু স্বৰ্গীয় মহেশ মেধি ৰঙিয়া কলেজৰ সাধাৰণ সম্পাদক ৰ দায়িত্বত থকা দিনৰে পৰা তেওঁৰ লগত সুমধুৰ সম্পৰ্ক আছিলে। নেদেখা জনৰ ওচৰত এইটো এ প্ৰাৰ্থনা যে তেওঁ স্বৰ্গগামী হওক। ৰঙিলী বাৰ্তা পৰিয়ালৰ ফলৰ পৰা এ সমবেদনলা।

।। ওঁম শান্তি।।

১১ ভাদ ১৪২৯ চন Rongili Barta, Date of Publication-- 28 August, 2022

## ENGLISH NEWS SECTION


# New York Times: Editions, visibility, credibility, etc

Guwahati, RB News- For some days, it has been widely discussed about the success stories of Delhi government in both education and healthcare sectors. The well wishers of Aam Aadmi Party (AAP) along with Delhi chief minister CM Arvind Kejriwal and his deputy Manish Sisodia have flooded the social media space with appreciative messages. Latey it was added colour by a frontpage news item in The New York Times, an American daily published since 1851, where Delhi's education minister Sisodia was lauded for his innovative initiatives. The article created sensation among the readers and it entered into a controversy as the Bharatiya Janata Party (BJP) leaders claimed it a paid feature. A number of AAP leaders criticised the BJP led Narendra Modi government in New Delhi alleging that the saffron party could not digest a positive story in America's largest newspaper on Sisodia and hence it engaged CBI and ED to harass him for 'all wrong reasons'. They went ahead claiming that the Kejriwal-Sisodia led AAP will make a big difference in 2024 general elections where the Modi government would face a 'defeat'. It may be mentioned that NYT on 18 August 2022 in its international edition published a news-feature titled 'Our children are worth it' with two photographs (one featuring Sisodia too), where it narrated the story of improving the government school education in the national capital. Along with the infrastructure, the pupils have been provided uniforms and mid-day meals there. The outcome is also astonishing as 100% of students passed 10 and 12th standard examinations, earlier which was below 90 percent all the time. CM Kejriwal, who was elected to the post in 2015, assured all possible support to the schools with basic minimum facilities. Moreover, a number of education experts have been engaged in designing new curriculums in those institutions. Unlike other parts of India, where students are leaving the government schools (to enrol in private institutions), Delhi has now been witnessing a reverse process. AAP leaders claim that nearly 250, 000 students left private schools in the last few years to join the government ones. The Delhi government continues building




new classrooms (if not the school buildings) with essential facilities for toileting, laboratories, sporting events, etc. Guardians of the students have also been engaged in the process of decision making along with the teachers (who are regularly trained) and concerned government officers. The monthly meetings among them witness serious discussions on various day to day affairs including the shortage of teachers in a particular subject, which are solved with convictions. The critical voice of BJP leaders against the news-feature was so loud that the NYT had to make a clarification that the particular item was based on impartial, on-the-ground reporting. The influential newspaper rejected the allegation of an advertorial arrangement to publish the news-feature in its international edition. Its management asserted that the journalism from NYT is always independent, free from political or advertiser influence. AAP leader Kejriwal in a recent tweet stated, 'Delhi has made India proud. Delhi model is on the front page of the biggest newspaper of US. Manish Sisodia is the best education minister of independent India'.

# AAEA insists on solar powered e-rickshaw charging stations



Guwahati, RB News- All Assam Engineer's Association (AAEA), while expressing concern over the recent controversies relating to Assam Power Distribution Company Limited's notice to e-rickshaw owners for arranging separate (commercial) charging arrangements, urges the authority to establish charging stations for the benefit of battery run rickshaw pullers. The forum of graduate engineers also insisted on powering the registered charging stations with solar plates.The common e-rickshaws in India normally use the Calcium Tubular Deep Cycle batteries, which can perform in the hot climatic condition for a longer period. The electricity operated rickshaws with 60v1000w motors can run up to 25 kilometer per hour with maximum load capacity of 600 kilograms. Every energy efficient rickshaw may have five 12 vault (90 ampere-hours) batteries that need a 60v charger.It may be mentioned that the APDCL with an aim to crack down on misuse of domestic electricity supply by the e-rickshaw owners recently asked them to apply for an additional electric vehicle charging category connection in their households. The concerned authority also asked the consumers to take appropriate initiatives for charging their e-rickshaw batteries with the domestic power connections. We raise the demand for opening of modernized e-rickshaw charging stations across Assam. The charging of batteries may take hours (otherwise the fast charging normally damages the batteries) and hence necessary arrangements (to check overcharging) should be taken in those charging stations," said AAEA president Er Kailash Sarma, vice-president Er Nava J Thakuria and secretary Er Inamul Hai in a media statement.

# Governor administers oath to VC of Assam Science and Technology University



Guwahati, RB News- Assam Governor cum Chancellor of Assam Science and Technology University, Prof. Jagdish Mukhi administered the oath of office to Prof. Narendra Shivaji Chaudhari as Vice Chancellor of Assam Science and Technology University at a function held in the Durbar Hall of Raj Bhavan. Earlier, Commissioner and Secretary to the Governor S S Meenakshi Sundaram sought the permission of the Governor to start the proceedings of the ceremony. The ceremony was attended among others by the First Lady of Assam Prem Mukhi, Education Minister Dr Ranoj Pegu, Advisor Education, Govt. of Assam Prof. Nani Gopal Mahanta, Advisor Chancellor's Secretariat Prof. M.K.Choudhury, Commissioner and Secretary GAD, Higher Education M.S. Manivannan Vice Chancellors of different universities, and senior officers of the state government.

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

১১ ভাদ ১৪২৭ চন Rongili Barta, Date of Publication-- 28 August, 2022

## নেহেৰু পৰিয়াল

ভালে কেইজন আগশাৰীৰ নেতা নেত্ৰীক গ্ৰেপ্তাৰ কৰা হ'ল । কিন্তু দেউতাক কোনো প্ৰকাৰে হাৰশাস্তি বা গ্ৰেপ্তাৰ কৰিবলৈ দিয়া নহৈছিল। ভাৰত চৰকাৰৰ RAW ৰ বিষয়াসকল আহি নিশা ১/২ বজাত আমাৰ গুৱাহাটিৰ ভঙাগৰৰ বাস ভৱনত উপস্থিত হৈছিল আৰু অসমৰ ৰাজনৈতিক দৃশ্যপটৰ বুজ লৈছিল। শুনামতে, RAW ৰ বিষয়াসকলে দেউতাৰ বিপক্ষে কেন্দ্ৰ গৃহ দপ্তৰত কোনো কথা কোৱা নাছিল। দেউতাৰ অন্যতম আত্মিক বন্ধু ভূতপূৰ্ব মুখ্যমন্ত্ৰী স্বৰ্গীয় শৰৎ চন্দ্ৰ সিংহই কোনোপধ্যে দেউতাক অপকাৰ কৰা ব্যৱস্থা লবলৈ দিয়া নাছিল। জৰুৰীকালীন অৱস্থাত দেউতা যদিও গ্ৰেপ্তাৰ হোৱা নাছিল, দিনটোত আমাৰ ঘৰত চোৰাংচোৱা আৰু আৰক্ষীয়ে পিয়া পি দি আছিল। তদুপৰি, শাসক কংগ্ৰেছৰ কোনো কোনো দালালে ও দেউতাক গ্ৰেপ্তাৰ কৰি দেউতাৰ সা সম্পত্তি হস্তক্ষেপ কৰাৰো ভু পোৱা গৈছিল। দেউতাই আহ্বান কৰা সভা বোৰ আৰু কাগজত লিখা চোকা বিবৃতি সঁচা নে মিছা- তাৰ কৈফিয়ত লবলৈকো আৰক্ষী দলৰ বিশেষ শাখাই আওপকীয়াকৈ দেউতাক হাৰাশাস্তি কৰিছিল। দেউতাই কাৰোবাক কোৱা শুনিছিলো যে, 'কাৰাগাৰত থকা সকলতকৈ বাহিৰত থাকি তেখেতে বেছি দুৰ্যোগৰ সন্মুখীন হৈছিল আৰু বেছি অশান্তিত জীৱন যাপন কৰিব লগীয়া হৈছিল'। সেইদৰে অসমৰ আন এজন নেতা, স্বৰ্গীয় লক্ষ্যধৰ চৌধুৰীয়েও এনে অশান্তিকৰ জীৱনৰ কথা দেউতাক কৈছিল হেনো। দেউতা আগেয়ে জেলত থাকোতে হেনো জেলৰ মাটিত শুইছিল। দেউতাই ভাবিছিল, আকৌ যদি জেললৈ যাব লগীয়া হয় তেতিয়া তো মাটিতে শুব লাগিব! সেয়েহে দেউতাই জৰুৰীকালীন সময়ছোৱাত সদায় মাটিতে শুইছিল। সময়ত এই অৱস্থাৰ সামৰণি পৰিল আৰু জননায়ক জয়প্ৰকাশ নাৰায়ণ আৰু গান্ধীবাদী আচাৰ্য কৃপালনীৰ নেতৃত্বত জনতা পাৰ্টি গঠন হ'ল। জনতাৰ ঢৌত জনতা পাৰ্টিয়ে সংখ্যা গৰিষ্ঠতা লাভ কৰিলে। উত্তৰ প্ৰদেশৰ ৰাইবেৰিলি সমষ্টিত জনতা পাৰ্টিৰ ৰাজ নাৰায়নৰ হাতত ইন্দিৰা গান্ধীয়ে পৰাজয় বৰণ কৰিলে। কেন্দ্ৰত গান্ধীবাদী মোৰাৰাজী দেশাইৰ নেতৃত্বত মন্ত্ৰীসভা গঠন হ'ল। গৃহমন্ত্ৰী চৌধুৰী চৰণ সিংহই ইন্দিৰা গান্ধীৰ বিচাৰৰ দৃঢ় পদক্ষেপ ললে। প্ৰধান মন্ত্ৰী দেশাই এনে বিচাৰৰ পক্ষপাতী নাছিল কিয়নো এনে বিচাৰে কিবা ভাল ফল দেখুৱাব বুলি তেখেতে ভবা নাছিল। চৌধুৰী চৰণ সিং বৰ দাম্ভিক, মইমতিয়া আৰু ঈৰ্ষান্বিত আছিল । কাৰো কথা নুশুনে । দেশৰ এটা বৃহৎ টকাৰ বিনিময়ত গোচৰ হ'ল আৰু ইন্দিৰা গান্ধী দোষী সাব্যস্ত হোৱাত তেওঁক জেলত ভৰাই হে এৰিলে। ইন্দিৰা গান্ধীয়ে প্ৰধান মন্ত্ৰীৰ বৃহৎ চৌহদ এৰি ৱেল্ড ডিঙ ক্ৰিছেন্টৰ সৰু ঘৰ এটাত থাকিবলৈ ললে। দেউতা দিল্লীলৈ গৈছিল, নৰ্থ ব্লক ৰ ওচৰতে প্ৰাক্তন এম এল এ তিলক গগৈ আৰু শিল্পী প্ৰবীণ ফুকনক লগ পাই ইন্দিৰা গান্ধীক দেখা কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে। দুয়ো দেউতাক কলে 'যাওঁক বৰুৱা, গান্ধীয়ে আপোনাক লগ পালে ভাল পাব '। দেউতাই ৱেল্ডিং ক্ৰিছেন্টৰ বংলাৰ গেট খুলি সোমাই গ'ল। সেই সময়ত ইন্দিৰা গান্ধীক দেখা কৰিবলৈ যোৱা মানুহ নোহোৱাই হ'ল। আৰক্ষী বা সন্তৰিও দেখা নাপালে। ক্ষমতা নাথাকিলে ওচৰত কাকোৱেই পোৱা নাযায়। এই পৰম্পৰা যুগে যুগে চলি আহিছে আৰু চলি থাকিব। দেউতা যোৱা বুলি গম পাই ইন্দিৰা গান্ধী লৰালৰিকৈ ভিতৰৰ পৰা ওলাই আহি আথে বেথে দেউতাক বহুৱাই খা খবৰ সুধিলে। দেউতাৰ চকুত পৰিল - যেন সেই তাহানিৰ শাৰী পৰিহিতা দিপলিপ, সহজ, সৰল দেউতাৰ ভনী জনীহে! আন আন কথাৰ মাজতে ৰাজনীতিৰ বিষয় ওলালত দেউতাই মাত্ৰ কলে 'এইবোৰ সকলো ৰাজনীতিৰ খেল, উত্থান পতন থাকেই। বেছি চিন্তা কৰি থাকিব নালাগে, আকৌ ভাল দিন আহিব'। চাহ জলপান খাই দেউতা আহিবলৈ ওলাল। দেউতাক প্ৰণাম কৰি ইন্দিৰা গান্ধীয়ে দেউতাক বিদায় দিলে। দেউতায়েও 'গড ব্লেছ য়ু ' বুলি ওলাই আহিল। দেউতা, উদাৰ, দয়াৰ সাগৰ, পৰোপকাৰী আৰু সহনশীল আছিল বাবেই হয়তো নেহৰু পৰিয়ালৰ লগত আপোনভাব বজাই ৰাখিব পাৰিছিল

**Beauty of the Week Art of the Week আৰু · Photography of the Week লৈ আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক**

**E-mail-**
**rongilibartamedhi@gmail.com**
**Whatsapp - 9854215286**




## জাতীয়তাবাদৰ পৰিক্ৰমা আৰু অসম

থাকিব। মহাপুৰুষ গুৰু দুজনাৰ আবিৰ্ভাবৰ প্ৰায় এক শতিকা জোৰা ব্যৱধানত পুত পবিত্ৰ অসম ভুমিত ইছলাম ধৰ্মৰ শান্তি, সম্প্ৰীতি আৰু একতাৰ বাণী লৈ পদাৰ্পণ কৰিছিলহি পীৰ আজান ফকিৰ চাহেবে সুদূৰ ইৰাকৰ বাগদাদ চহৰৰ পৰা। লগত লৈ আহিছিল শিষ্য সমন্বিতে ইছলাম ধৰ্মৰ চুফিবাদ। অসমত অসমীয়া সকলৰ জাতীয়তাবাদৰ ৰূপ দেখি চুফি সন্ত গৰাকীয়ে আৰবী বা উৰ্দু ভাষাৰে ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত মনোনিবেশ নকৰি প্ৰথমতে তেখেতে নিপুণ ভাবে অসমীয়া ভাষাটি আয়ত্ব কৰি লৈ ইছলাম ধৰ্মৰ পবিত্ৰ ধৰ্ম গ্ৰন্থ কোৰাণ আৰু হাদিছৰ বাণী সমূহক ছন্দোবদ্ধ ভাবে সাংগিতিক ৰূপত জিকিৰ ৰছনা কৰি নিজৰ উদ্দেশ্যত আগবাঢ়িছিল। তেখেতে তথা তেখেতৰ শিষ্য সকলে অসমীয়া জীয়ৰী বিবাহ কৰাই প্ৰথমতে তেখেত সকল নিভাজ অসমীয়া হৈ লৈছিল। অসমৰ জাতীয়তাবাদৰ ধ্বজ্বা প্ৰথমতে তেখেত সকলে হাতত লৈছিল। মহসপুৰুষ গুৰু দুজনাৰ পথ অবলম্বন কৰি পীৰ আজান ফকিৰ চাহেবে জাতি, ধৰ্ম আৰু সম্প্ৰদায় নিৰ্বিশেষে শান্তি, সম্প্ৰীতি আৰু একতাৰ ওপৰতহে বিশেষ ভাবে গুৰুত্ব আৰোপ কৰিছিল। মহাপুৰুষ গুৰু দুজনাৰ দৰেই পীৰ আজান ফকিৰ চাহেবো জীৱনৰ বিয়লি বেলাত ৰাজৰোষত পৰিছিল। কিন্তু তেখেত সকলৰ জীৱন আৰু যৌবনৰ কৰ্মৰাজি পৰ্যালোচনা কৰিলে দেখা যায় তেখেত সকল উৎসৰ্গিত হৈছিল অসম আৰু অসমীয়াৰ বাবে। সাম্প্ৰতিক সময়ত অসমত জাতীয়তাবাদৰ নামত বহুতো ব্যক্তি, দল আৰু সংগঠন দেখা যায়। অসম আৰু অসমীয়াৰ বাবে তেখেত সকলৰ অবদানো আছে। কিন্তু কিবা যেন নাই নাই। এই নাই বোলা শব্দটিত যেন বিলীন হৈ আছে স্বাৰ্থান্বেষী এচাম তথাকথিত লোকৰ নিজস্ব ধ্যাণ ধাৰণা। কোনো শ্ৰেণী লোকৰ স্বাৰ্থৰ মাজত যেন অসমৰ সাধাৰণ জনতাৰ জাতীয়তাবোধ হেৰাই নাযায় সেয়া সাম্প্ৰতিক সময়ত লক্ষণীয় দিশ হৈ পৰিছে। সাম্প্ৰতিক সময়ত অসমৰ সাধাৰণ জনতাৰ দায়িত্ব আৰু কৰ্তব্য হৈছে মহাপুৰুষ গুৰু দুজনা আৰু পীৰ আজান ফকিৰ চাহেবৰ জাতীয়তাবোধৰ মাজত সংপৃক্ত হৈ থকা শান্তি, সম্প্ৰীতি আৰু একতা যাতে কোনো কাৰণতে বিঘ্নিত নহয় আৰু অসমবাসীৰ ভাতৃত্ববোধে বিশ্বক আকৰ্ষিত কৰিব পাৰে তাৰ প্ৰতি প্ৰতিটো পল, অনুপলত সচেষ্ট হৈ থকা।

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286

**প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ**

Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286